Content includes AI-generated material


## পলাশবাৰীত আয়কৰৰ অভিযান



বিতং বাতৰি ৯ নং পৃষ্ঠাত



www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 10, 2025 ■ সোমবাৰ, ২৭ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৫ Guwahati, Assam ।। মূল্যঃ এটকা


## ভাইৰেল অডিঅ'ৰ ফ'ৰেনছিক পৰীক্ষাৰ নিৰ্দেশৰ পিছতেই সিদ্ধান্ত

# মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ পদত্যাগ



■ নতুন মুখ্যমন্ত্ৰী ঘোষণা নোহোৱা পৰ্যন্ত চম্ভালি যাব দায়িত্ব, ৰাষ্ট্ৰপতি শাসনক লৈ অব্যাহত জল্পনা-কল্পনা

**ইম্ফল, ৯ ফেব্ৰুৱাৰীঃ** দুবছৰীয়া জাতিগত হিংসা আৰু অব্যাহত থকা ৰাজনৈতিক উত্তেজনাৰ মাজতে মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ আকস্মিক পদত্যাগে ৰাজ্যৰ ৰাজনীতিত সৃষ্টি কৰিছে এক নতুন মোৰ। শেষাংশ ৫ পৃষ্ঠাত

### ছত্তীশগড়ত সংঘৰ্ষত নিহত ৩১ মাওবাদী

**বাস্তাৰ, ৯ ফেব্ৰুৱাৰীঃ** নক্সালবাদৰ বিৰুদ্ধে অহৰহ কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আছে ৩ পৃষ্ঠাত চাওক



### পদত্যাগ কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰীয়ে

**নতুন দিল্লীঃ** দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিৰ ঐতিহাসিক বিজয়ৰ পিছতে মুখ্যমন্ত্ৰী শেষাংশ ৬ পৃষ্ঠাত

### ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

## শদিয়াৰ টুপছিঙাত কেবালক্ষ জনতাই ক'লে, 'তুমি ৰ'বা হৃদয়ত!'



**ই-সংবাদ, ডুমডুমা, ৯ ফেব্ৰুৱাৰীঃ** "লুইতখন ভৰিলে বিহ মেটেকাৰে/ পাৰত ভৰিলে জাবৰ/ পশ্চিমৰ বতাহজাক পূবলৈ বলিছে/ তাৰ ৪ পৃষ্ঠাত

### সাংস্কৃতিক শোভাযাত্ৰাত আৰক্ষীৰ বাধা

## উলংগ বাবাক অনুমতি দিয়ে, নিদিয়ে কটনৰ ছাত্ৰক

**ই-সংবাদ, ৯ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ হনন কৰাৰ গুৰুতৰ অভিযোগ ৬ পৃষ্ঠাত চাওক

**কটন বিশ্ববিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সমুখতেই গুৱাহাটী আৰক্ষীয়ে প্ৰদৰ্শন কৰিলে বীৰত্ব!**

### এডভাণ্টেজ আছাম ছিংগাপুৰলৈ আজি মুখ্যমন্ত্ৰী

**ই-সংবাদ, ৯ ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাৰ বজালী অধিৱেশন, ৪ পৃষ্ঠাত চাওক

### কুম্ভমেলাত পুনৰ অগ্নিকাণ্ড

**প্ৰয়াগৰাজ, ৯ ফেব্ৰুৱাৰীঃ** ইটোৰ পিছত সিটো দুৰ্ঘটনা সংঘটিত হৈছে মহাকুম্ভ মেলাত। শেষাংশ ৫ পৃষ্ঠাত






## শংকৰদেৱ সংঘৰ অধিৱেশনৰ সামৰণি

### তেজপুৰত হ'ব পৰৱৰ্তী অধিৱেশন



**পশ্চিম যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰৰ পৰা ৰমেন শইকীয়া, ৯ ফেব্ৰুৱাৰীঃ** ১৯৩০ চনতে প্ৰতিষ্ঠা শেষাংশ ৭ পৃষ্ঠাত

## কৰ ভৱনত 'প্ৰাক-বাজেট' চৰ্চা সম্পন্ন



**ই-সংবাদ, ৯ ফেব্ৰুৱাৰীঃ** মহানগৰীৰ গণেশগুৰিস্থিত 'কৰ ভৱনত' বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত শেষাংশ ৩ পৃষ্ঠাত




# মণিপুৰৰ ৰাজনীতি

ইম্ফলৰ ৰাজনৈতিক অস্থিৰতাৰ মাজতে মুখ্যমন্ত্ৰী এন. বীৰেন সিঙৰ আকস্মিক পদত্যাগে মণিপুৰত নতুন ৰাজনৈতিক অধ্যায়ৰ সূচনা কৰিছে। ২০২৩ চনৰ মে' মাহৰ পৰা মেইটেই আৰু কুকি সম্প্ৰদায়ৰ মাজত ৰক্তক্ষয়ী সংঘৰ্ষ, ২৫০ৰো অধিক প্ৰাণহানি আৰু হাজাৰৰো অধিক গৃহহীনৰ পৰিণতিত ৰাজ্যখনৰ প্ৰশাসনিক ব্যৰ্থতা স্পষ্ট হৈ পৰিছিল। এই পটভূমিত বিজেপিৰ ভিতৰচ'ৰাত বিদ্ৰোহ, অভিযোগৰ ছায়া আৰু কেন্দ্ৰীয় নেতৃত্বৰ হস্তক্ষেপে বীৰেন সিঙক পলমকৈ হ'লেও পদত্যাগ কৰিবলৈ বাধ্য কৰালে। বিগত দুবছৰ ধৰি মণিপুৰৰ ৰাজনীতি হিংসা আৰু অস্থিৰতাৰ সৈতে জৰ্জৰিত। মুখ্যমন্ত্ৰীয়ে হিংসা নিয়ন্ত্ৰণত ব্যৰ্থ হোৱাৰ লগতে কুকি সম্প্ৰদায়ৰ এজনে উচ্চতম ন্যায়ালয়ত উত্থাপন কৰা অভিযোগ আৰু বিতৰ্কিত অডিঅ' টেপে তেওঁৰ বিশ্বাসযোগ্যতা হ্ৰাস কৰিছিল। ইতিমধ্যে, বিজেপিৰ ১২ গৰাকী বিধায়কে নেতৃত্ব পৰিৱৰ্তনৰ দাবী জনাই আহিছিল, যাৰ পৰিণতিত দিল্লীৰ কেন্দ্ৰীয় নেতৃত্বই হস্তক্ষেপ কৰে। মহাৰাষ্ট্ৰ, হাৰিয়ানা আদিত বিজয়ী বিজেপিয়ে মণিপুৰৰ সংকটে ভাবমূৰ্তি ক্ষতি কৰাৰ আশংকাত বীৰেনক পদত্যাগৰ নিৰ্দেশ দিয়াটো ৰাজনৈতিক বিশ্লেষকসকলৰ মাজত আলোচিত হৈছে। বিৰোধী কংগ্ৰেছে এই পদত্যাগক 'অতি পলম' বুলি সমালোচনা কৰিছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে উল্লেখ কৰে যে, হিংসাৰ সূচনাৰ পৰাই নেতৃত্ব পৰিৱৰ্তনৰ দাবী উপেক্ষা কৰা হৈছিল। অন্যহাতে, ১০ ফেব্ৰুৱাৰীৰ বিধানসভাৰ অধিৱেশনৰ আগমুহূৰ্তত পদত্যাগে অনাস্থা প্ৰস্তাৱৰ পৰিস্থিতি অসাৰ কৰিছে। মণিপুৰৰ বাবে এতিয়া প্ৰয়োজন সম্প্ৰদায়িক সম্প্ৰীতি আৰু স্থায়ী শান্তিৰ সন্ধান। নতুন নেতৃত্বই কেৱল ৰাজনৈতিক স্থিৰতা অনাই নহয়, জনসাধাৰণৰ বিশ্বাস অৰ্জনৰো চাবকাঠি হ'ব লাগিব। কেন্দ্ৰীয় চৰকাৰে যদি হিংসাজৰ্জৰ ৰাজ্যখনৰ সমস্যা সমাধানত গুৰুত্ব দিয়ে, তেন্তে হয়তো মণিপুৰে পুনৰ সংহতিৰ পথত আগবাঢ়িব। কিন্তু অতীতৰ ব্যৰ্থতাই এই প্ৰত্যাশাক সন্দেহযুক্ত কৰি তুলিছে। বৰ্তমান বিজেপিৰ ৩২ জন বিধায়কৰ লগতে নগা পিপলছ ফ্ৰণ্টৰ ৫ জন আৰু জনতা দল (ইউনাইটেড)ৰ ৬ জন বিধায়ক চৰকাৰৰ সমৰ্থনত আছে। আনহাতে বিৰোধী কংগ্ৰেছৰ মাত্ৰ ৫ জন বিধায়ক আছে মণিপুৰত। লক্ষ্যণীয় যে, ১০ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব মণিপুৰ বিধানসভাৰ অধিৱেশন। এই অধিবেশনত অনাস্থা প্ৰস্তাৱৰ ওপৰত আলোচনা হোৱাৰ কথা আছিল। কিন্তু মুখ্যমন্ত্ৰীৰ পদত্যাগৰ ফলত সেই আলোচনা অসাৰ হৈ পৰিছে।

## লেখা আহ্বান

'ই-সংবাদ'ৰ সম্পাদকীয় পৃষ্ঠাৰ বাবে লেখা আহ্বান কৰা হৈছে। লেখাসমূহ ৫৫০টা শব্দৰ ভিতৰত আৰু বস্তুনিষ্ঠ হোৱাতো বাঞ্চনীয়। লেখাসমূহ newsnextne@gmailলৈ মেইলযোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ইউনিকোডত টাইপ কৰি প্ৰেৰণ কৰিব লাগিব। প্ৰকাশ হোৱা-নোহোৱাতো সম্পূৰ্ণৰূপে সম্পাদনা মণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়ে কেতিয়া প্ৰকাশ পাব সেয়া লেখকসকলক আগতীয়াকৈ জনোৱাতো মুঠেই সম্ভৱ নহয়।

# ৰাজীৱ শদিয়াৰ মৃত্যুৱে উদঙাই দিয়া আন এখন ছবি!

■ অৰিন্দম বুঢ়াগোহাঁই

**শদিয়াৰ টুপচিঙা** গাঁৱত শত-সহস্ৰ মানুহৰ ভিৰ। ওচৰৰ গাওঁ-জিলাবোৰ বাদেই, অসমৰ চুকে-কোণে প্ৰান্তে থকা ৰাজীৱ শদিয়াৰ অনুৰাগীয়ে ভিৰ কৰিলে টুপচিঙা গাঁৱত। কাৰণ ৰাজীৱ শদিয়াই সেইখিনি মানুহৰ অন্তৰত ঘৰ সাজিব পাৰিছিল, যি দেখিছিল প্ৰকৃত পৰিৱৰ্তনৰ সপোন। যি মা-মাটি-মানুহৰ কাৰণে সৰ্বস্ব উজাৰি দিব পাৰে। সেই মানুহখিনি সমাজৰ শ্ৰমজীৱি, খাটিখোৱা মানুহ।

কিন্তু ৰাজীৱ শদিয়াৰ আদ্যশ্ৰাদ্ধস্থলীত একাংশ স্বাৰ্থান্বেষী মানুহৰো ভিৰ দেখা গ'ল। যি নিজৰ সামাজিক বা ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিলে ৰাজীৱ শদিয়াৰ দৰে এগৰাকী গণশিল্পীৰ পৰিচয়। জীৱিত কালতেই ৰাজীৱ শদিয়াই ফেছবুকত ক্ষোভ উজাৰি লিখিছিল, তেওঁৰ ওচৰত এনে কিছু অনুষ্ঠানৰ চেক পৰি আছে যি চেকৰ সৈতে সংলগ্ন হৈ থকা বেংক একাউণ্টত টকা নাই। চেকযোগে টকা উলিয়াবলৈ চেষ্টা কৰি যেতিয়া টকা নাপায় আৰু তাৰ পাছত তেনে অনুষ্ঠানৰ সৈতে যোগাযোগ কৰে, তেতিয়া তেওঁলোকে তৃতীয় পক্ষলৈ দোষ ঠেলি দায় সাৰে। কয়, আমিয়েই পাবলগীয়াখিনি পোৱা নাই, পালেই আপোনাক দি দিম। কিন্তু ৰাজীৱ শদিয়াৰ আদ্যশ্ৰাদ্ধলৈ আদৰণি জনাই পথৰ ওপৰত দেখোন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সীমাসীন আদৰণি তোৰণ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতা-কৰ্মকৰ্তাৰ সীমাসীন ব্যস্ততা। কিন্তু ৰাজীৱ শদিয়াক গান গাবলৈ মাতি কোন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰাপ্য টকা প্ৰদান কৰা নাছিল? কোনে কৰিছিল বঞ্চনা? ৰাজীৱ শদিয়াৰ মৃত্যুৱে উদঙাই দিলে ৰাইজৰ হৈ কাম কৰো বুলি জাহিৰ কৰা এনে বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ স্বৰূপ। আদ্যশ্ৰাদ্ধৰ পূৰ্বে সামাজিক মাধ্যমত এটা ভিডিঅ' ভাইৰেল হৈ পৰিছে। টুপচিঙা গাঁৱলৈ যোৱা এখন নদীৰ ওপৰৰ বাঁহৰ দলংখন পৰিচালনা কৰা যুৱককেইজনে দলং খনেৰে পাৰ হ'বলগীয়া সকলোৰে বাবে আদ্যশ্ৰাদ্ধৰ দিনা বিনামূলীয়া ঘোষণা কৰিছে। ভিডিঅ'টো চালেই গম পাব পাৰি যে বাৰিষা দিনত এই অঞ্চলটোৰ জনসাধাৰণ কেনে বীভিষিকাময় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। কিন্তু এটা দিনৰ বাবে নহয়, কোনোবাই এই সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে কোনোবাই ব্যৱস্থা গ্ৰহণ কৰিলেনে?

ৰাজীৱ শদিয়া জীৱিত কালত যথেষ্ঠ আৰ্থিক নাটনিৰ সন্মুখীন হৈছিল। টকাৰ অভাৱত তেওঁলৈ আগবঢ়োৱা বঁটা গ্ৰহণ কৰিবলৈও তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ আহিব পৰা নাছিল। কিন্তু এতিয়া সেইগৰাকী ৰাজীৱ শদিয়াৰ আদ্যশ্ৰাদ্ধ এতিয়া দান-বৰঙণিয়ে উভৈনদী হৈ পৰিছে। এতিয়া ৰাজীৱ শদিয়াৰ নামত টকা দিবলৈ বহুতেই হেতা-উপৰা লগাইছে। বহুতেই দান-বৰঙণি দিব বিচাৰিছে। কিন্তু মন কৰিব, এইসকল তথাকথিত 'দাতা কৰ্ণ'ৰ ৰাজীৱ শদিয়াৰ জীৱিত কালত ছাঁটোও দেখিবলৈ পোৱা নগৈছিল।

বহুতেই স্বীকাৰ কৰিছে, ৰাজীৱ শদিয়াক তেওঁলোকে জীৱিত কালত চিনি পোৱা নাছিল। অস্বাভাৱিক কথা নহয়, এতিয়াও অসমত এনে মানুহ আছে যি ভূপেন হাজৰিকাক চিনি নাপায়। কিন্তু জীৱিত কালত ৰাজীৱ শদিয়াক চিনি পোৱা সকলেই তেওঁক প্ৰাপ্য সন্মান নিদি তেওঁৰ জনপ্ৰিয়তাক ব্যৱহাৰ কৰিলে। আৰু তেওঁলোকৰ একাংশই এতিয়া ৰাজীৱ শদিয়াক সন্দৰ্ভত নিজৰ তথাকথিত গণসংযোগ মাধ্যম ছচিয়েল মিডিয়াৰ দ্বাৰা প্ৰচাৰ কৰি আছে। এই মনোযোগ ৰাজীৱ শদিয়া বুলিয়েই নহয়, প্ৰচাৰ বিমুখ বা ৰজাঘৰীয়াৰ আতিথ্য নোলোৱাকৈ চৰ্চা কৰি যোৱা শিল্পীসকলক লৈ যদি এতিয়া প্ৰচাৰৰ বাবে সজাগ হৈ থকাসকলে ব্যৱস্থা গ্ৰহণ কৰিলেহেঁতেন, তেন্তে শিল্পীৰ এনে বেয়া দিন নাহিলহেঁতেন!

# নতুন ভাৰতৰ নতুন ইতিহাস

■ ডাঃ ৰঞ্জিত কুমাৰ দাস

**আমেৰিকাৰ পৰা** হাত-ভৰি বান্ধি মিলিটেৰী মাল কঢ়িওৱা জাহাজত তুলি ভাৰতত পেলাই যোৱা ভাৰতীয়সকল যে অকৰ্তৃত্বশীলভাৱে সেই দেশত প্ৰৱেশ বা বসবাস কৰি থকা লোক সেয়া আমি সকলোৱে জানো। তেওঁলোকক ভাৰতলৈ প্ৰত্যাৰ্পণত আপত্তি কৰিবলগীয়া একো নাই। কিন্ত তেওঁলোক কোনো ডকাইত, হত্যাকাৰী বা সন্ত্ৰাসবাদী নহয়। সেয়েহে এনেদৰে হাত-ভৰি বান্ধি এই দেশত পেলাই যোৱা ঘটনাই একোজন ভাৰতীয় হিচাবে আমাক আহত কৰিছে। হয়তো দেশীয় স্বাভিমান বা আত্মসন্মানবোধৰ ই এক ন্যূনতম অনুভূতি। আমেৰিকান চৰকাৰৰ দৃষ্টিত ভাৰত বা ভাৰতীয়সকলৰ স্থান বা মৰ্যাদা কি পৰ্যায়ৰ সেয়াও ইয়াৰ জৰিয়তেই উমান পাব পাৰি। আমেৰিকাত ইংলেণ্ড, ফ্ৰান্স, ইজৰাইল আদি উন্নত দেশৰ বহু মানুহো অকৰ্তৃত্বশীল ভাৱে বসবাস কৰি আছে। ব্যৱসায় সূত্ৰে যোৱা চীনা মানুহো আছে। বিভিন্ন সময়ত তেনে বহু লোক গ্ৰেপ্তাৰো হৈছে। বিশ্বাস নহয় যে সেই দেশৰ কোনো লোকক ট্ৰাম্প প্ৰশাসনে ভাৰতীয়সকলক কৰাৰ দৰে হাত-ভৰি বান্ধি সেই সমূহ দেশত পেলাই থৈ আহিব। এই দুৰ্ব্যৱহাৰ কেৱল কেইজনমান ভাৰতীয়ক কৰা দুৰ্ব্যৱহাৰে নহয়। সামৰিক বিমানত তুলি ভাৰতৰ সীমাত প্ৰৱেশ কৰাৰ পাছতো তেওঁলোকক হাতে-ভৰি বান্ধি ৰখাৰ অৰ্থ ভাৰত ৰাষ্ট্ৰৰ প্ৰতিও অপমান। এনে ঘটনাত সকলো ভাৰতীয়ই একমুখে প্ৰতিবাদ কৰা উচিত আছিল। ইয়াত শাসক-বিৰোধী বুলি কোনো বিভাজন আহিব নালাগিছিল। বেছি ভাল হ'লহেতেন দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সকলো ভাৰতীয়ই সমস্বৰে আমেৰিকাৰ এনে হঠকাৰিতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হ'লে! মোদীৰ বজ্ৰকণ্ঠই ট্ৰাম্পক হিতাহিত জ্ঞান ঘূৰাই দিয়াৰ লগতে ভাৰতীয়সকলক উদ্দীপ্ত কৰাৰ এটা সুযোগ আছিল। আমেৰিকাৰ গাত গা-ঘেলাই নহয়, নিজৰ ব্যুৎপত্তি আৰু কৰ্মৰ মাজেৰেহে যে আমি সমৃদ্ধিৰ পথত আগবাঢ়িব লাগিব সেই চেতনা নিৰ্মাণৰো এয়া এক সুযোগ আছিল। সকলো কথাতে আমেৰিকাৰ ওচৰত নতজানু নোহোৱাকৈ আমেৰিকাৰ ইচ্ছাৰ বিৰুদ্ধে গৈয়ো যে ভাৰতে নিজৰ সামৰ্থৰে নিজৰ স্থিতিত থিয় হৈ থাকিব পাৰে তাক এবাৰ ইন্দিৰা গান্ধীৰ নেতৃত্বত আৰু আনবাৰ বাজপেয়ীৰ নেতৃত্বত ভাৰতে সিদ্ধ কৰি থৈছে। কিন্তু কি দুৰ্ভাগ্য যে এইবাৰ আমাৰ দেশৰে এটা অংশৰ মাজত আজি ভাৰতীয়সকলৰ সন্মান-স্বাভিমানৰ সলনি আমেৰিকা প্ৰশাসনৰ স্থিতিক সুৰক্ষা বা সমৰ্থন দিয়াৰ দৃষ্টান্তহে দেখিবলৈ পোৱা গ'ল। এয়া নতুন ভাৰতৰ এক নতুন ইতিহাস!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত সংঘৰ্ষত নিহত ৩১ মাওবাদী

কেন্দ্ৰীয় চৰকাৰে। ২০২৬ চনৰ ভিতৰত দেশৰ পৰা নক্সাল নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি দিছে গৃহমন্ত্ৰী অমিত শ্বাহেও। বিগত কেইটামান বছৰত নিৰাপত্তা বাহিনীয়ে কেইবাটাও বৃহৎ অভিযান চলাই মাওবাদী সংগঠনৰ মেৰুদণ্ড ভাঙিবলৈ চেষ্টা চলাইছে। নিৰাপত্তা বাহিনীৰ মাওবাদী বিৰোধী অভিযানৰে অংশ হিচাপে এইবাৰ ছত্তীশগড়ৰ বিজাপুৰত চলোৱা হ'ল এক বৃহৎ অভিযান। চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত বিজাপুৰৰ ইন্দ্ৰাৱতী ৰাষ্ট্ৰীয় উদ্যান এলেকাত চলোৱা এই অভিযানত ৩১জন মাওবাদী নিহত হয়। দীৰ্ঘদিন ধৰি নক্সালবাদীসকলৰ "বিশ্ৰাম স্থান" হিচাপে পৰিচিত আছিল এই এলেকা। এই অভিযানত ছত্তীশগড় আৰক্ষীৰ দুই জোৱানো শ্বহীদ হয়। গুৰুতৰভাৱে আহত দুজন নিৰাপত্তাৰক্ষীক বিমানযোগে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ সাইয়ে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদ নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি দিছে। সেই লক্ষ্যত উপনীত হোৱাৰ দিশত এই অভিযান অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ।" তেওঁ কয় যে নিৰাপত্তা বাহিনীয়ে এক অসম্ভৱ কাৰ্য কৰি আছে। এই সফল অভিযানৰ বাবে নিৰাপত্তা বাহিনীক অভিনন্দন জনাই শ্বহীদ জোৱাৰ দুগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে মুখ্যমন্ত্ৰী সাইয়ে। আনহাতে নিহত মাওবাদী কেইজনৰ পৰা এ কে ৪৭, ইনছাছ ৰাইফল, বিস্ফোৰক লঞ্চাৰকে ধৰি বুজন পৰিমাণৰ অস্ত্ৰ শস্ত্ৰ উদ্ধাৰ কৰা বুলি জানিবলৈ দিয়ে ছত্তীশগড়ৰ গৃহমন্ত্ৰী বিজয় শৰ্মাই। উল্লেখ্য যে, ডিষ্ট্ৰিক্ট ৰিজাৰ্ভ গাৰ্ড আৰু ছত্তীশগড় আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চৰ লগতে চি আৰ পি এফৰ কমাণ্ডো বেটেলিয়ন ফৰ ৰিজ'লিউট একচন (কোব্ৰা)ই যুটীয়াভাৱে এই অভিযান চলায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰ ভৱনত 'প্ৰাক-বাজেট' চৰ্চা সম্পন্ন

আজি প্ৰাক-বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। অসম বিধানসভাত উত্থাপন কৰিবলগীয়া ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী অজন্তা নেওগৰ তত্বাৱধানাত অনুষ্ঠিত আলোচনাত সাংসদ ৰঞ্জিত দত্ত, ভুৱনেশ্বৰ কলিতা, কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী পীযুষ হাজৰিকা, নন্দিতা গাৰ্লোছা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া উপস্থিত থাকে। বিজেপিৰ জ্যেষ্ঠ নেতাসকলে আগন্তুক বাজেট অধিৱেশন সুকলমে অনুষ্ঠিত হোৱাৰ লগতে বাজেটত সাধাৰণ জনগণক কেনেদৰে উপকৃত কৰা হ'ব তাক লৈ দিহা-পৰামৰ্শৰ আদান-প্ৰদান কৰে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট জনগণৰ হিতৰ বাবে উত্থাপন কৰাৰ কথা উল্লেখ কৰি বিত্তমন্ত্ৰী নেওগে কয় যে সৰ্বপ্ৰকাৰৰ লোকৰ উন্নয়নৰ দিশটোক গুৰুত্ব দিয়া হ'ব। আজিৰ আলোচনাত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ সন্মিলন এডভাণ্টেজ আসাম ২.০ৰ সন্দৰ্ভতো আলোচনা কৰা হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনৰ সফল ব্যৱস্থাপনা আদিৰ লগতে ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰত সকলো পক্ষৰ সহায় সহযোগ কামনা কৰা হয়।

# কাণসাৰ নাই আৰক্ষী-প্ৰশাসনৰ! বেতবাৰীত পুনৰ নদীত পৰিল অভাৰলোডেড কয়লাভৰ্তি ট্ৰাক

**ই-সংবাদ, শিৱসাগৰ, ৯ ফেব্ৰুৱাৰীঃ** উজনি অসমত পৰিবহন বিভাগ, আৰক্ষী প্ৰশাসনৰ হেমাহি উদঙাই ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নীতি বহিৰ্ভূতভাৱে অবাধ হাৰত কয়লা ভৰ্তি ট্ৰাক চলাচল অব্যাহত ৰাখিছে অসাধু ব্যৱসায়ী চক্ৰই। বিশেষকৈ পৰিবহণ বিভাগেই জাৰি কৰা নিৰ্দেশনা ট্ৰাক চালক, মালিকসকলে ভৰিৰে মোহাৰি কয়লা অ'ভাৰ লোডিং তথা অত্যধিক বোজাই কঢ়িয়াই চলাচল অব্যাহত ৰখাত ইটোৰ পিছত সিটো দুৰ্ঘটনা সংঘটিত হৈছে। যোৱা নিশা পুনৰ অত্যাধিক কয়লা কঢ়িয়াই অনাৰ ফলতে এখন বৃহদাকাৰ ট্ৰাক শিৱসাগৰ বেতবাৰী আৰু ৰজাবাৰীৰ মাজত থকা দিচাংঘাটত নিয়ন্ত্ৰণ হেৰুৱাই নদীত পৰি যায়। তিনিচুকীয়াৰ লিডুৰ পৰা অৰুণাচল প্ৰদেশলৈ বুলি অত্যাধিক কয়লা কঢ়িয়াই নি থাকোঁতেই দিচাং দলঙৰ পকী ৰেলিং ভাগি এপি১৬ টিই ৭৫৬৯ নম্বৰৰ ট্ৰাকখন নদীত পৰি যায়। ফলত ট্ৰাকখনৰ সন্মুখৰ ভাগ ভাগি বিধ্বস্ত হৈ পৰে। নদীত পানী একেবাৰে কম থকাত চালক আৰু হেণ্ডিমেনৰ কথমপি প্ৰাণ ৰক্ষা পৰে যদিও গুৰুতৰভাৱে আহত হয় চালক দেবেন্দ্ৰ ৰাও জাম্পনা (৪৬) আৰু হেণ্ডিমেন কোচুৰি সীথাৰামায় (৪০)। আহত দুয়োগৰাকীৰে ঘৰ অন্ধ্ৰপ্ৰদেশত। নিশাই দুয়োজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ট্ৰাকখনত কিমান কয়লা আছিল সেয়া জোখাটো সম্ভৱ হোৱা নাই যদিও ট্ৰাকখনৰ বডিৰ ওপৰলৈকে ডাঠ টিৰ্পালেৰে ঢাকি নিয়া দৃশ্য স্পষ্ট হৈ থকাত অ'ভাৰ লোডিং কৰাটো নিশ্চিত হৈছে। জানিব পৰা মতে, কয়লা পৰিবাহী ট্ৰাকখন তিনিচুকীয়া জিলাৰ পৰা শিৱসাগৰ বেতবাৰীলৈকে কেইবাখনো থানা, আৰক্ষী চকী, দুটা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় পাৰ কৰি আনিলে যদিও কোনো স্থানতে ট্ৰাকখনৰ নথি পত্ৰ পৰীক্ষা কোনো এটা বিভাগে কৰা নাছিল। বাতৰি লিখা পৰলৈকে বিধ্বস্ত ট্ৰাকখন কয়লাসহ নদীতে পৰি আছে যদিও এনফৰ্চমেণ্ট বিভাগ, যানবাহন নিয়ন্ত্ৰণ আৰক্ষী আদি কোনেও ছীজ কৰা নাই। প্ৰণিধানযোগ্য যে, আন সাধাৰণ যানবাহন দুৰ্ঘটনাগ্ৰস্ত হ'লে ততাতৈয়াকৈ যানবাহন নিয়ন্ত্ৰণ আৰক্ষীয়ে তেনে বাহন জব্দ কৰি থানালৈ লৈ যায়। কিন্তু কয়লা পৰিবাহী বাহনৰ ক্ষেত্ৰত তেনে তৎপৰতা কিয় দেখা নাযায় তাক লৈ প্ৰশ্ন তুলিছে সচেতন ৰাইজে। অনাগত সময়ত আজি দুৰ্ঘটনাত পতিত ট্ৰাকখন, কয়লা খিনি জব্দ কৰি তদন্ত কৰিবনে আৰক্ষী, এনফৰ্চমেণ্ট বিভাগে সেয়া লক্ষ্যণীয় হ'ব। উল্লেখ্য যে, যোৱা ১৫ জানুৱাৰীৰ নিশাও বেতবাৰীৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰতে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰিছিল অত্যাধিক কয়লা কঢ়িয়াই নিয়া ডব্লিউবি৫৭ এফ ২৪৭৭ নম্বৰৰ এখন ট্ৰেইলাৰ। অন্যহাতে চাৰি মাহ পূৰ্বে উক্ত দিচাং দলঙতে ৰেলিং ভাগি অত্যাধিক লোহাৰ ৰদ কঢ়িয়াই অনা এখন ট্ৰাক নদীত পৰিছিল। সঘনাই অত্যাধিক বোজাই কঢ়িওৱা বাহন ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাগ্ৰস্ত হৈছে যদিও কিয় পথ সজাগতা সৃষ্টিৰ নামত নাটক কৰা পৰিবহণ বিভাগে অ'ভাৰলোডিং বাহনৰ বিৰুদ্ধে পদক্ষেপ লোৱা নাই তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। আনহাতে এই দুৰ্ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিংগাপুৰলৈ আজি মুখ্যমন্ত্ৰী

শংকৰ সংঘৰ যোৰহাট অধিৱেশনৰ সামৰণি পৰিল যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উপস্থিত থকাৰ সময় মিলাব নোৱাৰিলে। কিয়নো ৰাজ্যখনৰ বাবে বিনিয়োগ বিচাৰি দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত ব্যস্ত মুখ্যমন্ত্ৰীগৰাকী। এডভাণ্টেজ আছাম ২.০ৰ বাবে দেশে-বিদেশী উদ্যোগপতিক সাক্ষাৎ কৰিছে। বিগত দুটা দিনত মুম্বাই আৰু দিল্লীত ব্যস্ত থকা মুখ্যমন্ত্ৰীয়ে কাইলৈ উৰা মাৰিব বিদেশলৈ। কাইলৈ দুদিনৰ বাবে এডভাণ্টেজ আসাম ২.০ৰ প্ৰচাৰৰ ছিংগাপুৰলৈ ৰাওনা হ'ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। এই ভ্ৰমণত ছেমিকণ্ডাক্টৰ, ডীপ টেকন'লজী, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্যৰ বৰ্ধিত সম্ভাৱনা সন্দৰ্ভত প্ৰচাৰ-প্ৰসাৰ কৰিব। মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগক লৈ ছিংগাপুৰৰ ঔদ্যোগিৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব। ইপিনে মুখ্যমন্ত্ৰীয়ে মুম্বাইত শেষ দিনটোত উদ্যোগপতি মুকেশ আম্বানী আৰু তেওঁৰ পুত্ৰ অনন্ত আম্বানীক সাক্ষাৎ কৰে। সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে এক্সত পোষ্ট দি কয় যে এক বিশেষ সাক্ষাতত মিলিত হৈ সুখী হ'লো। সাক্ষাৎকালত অসমক ভাৰতৰ পৰৱৰ্তী উদ্যোগিক কেন্দ্ৰ কৰাৰ দিশত আলোচনা কৰা হয়। মই আশাবাদী যে এডভাণ্টেজ আছাম ২.০ৰ জৰিয়তে ৰিলায়েন্সৰ অসমত বিশেষকৈ জৈৱ ইন্ধন, ফিনটেক, টেলিকম আৰু অন্যান্য উদীয়মান খণ্ডত স্থিতি সম্প্ৰসাৰণৰ পৰিকল্পনা সুদৃঢ় কৰা দেখিবলৈ পাম। এইবাৰ এডভাণ্টেজ আছাম ২.০ৰ জৰিয়তে অসমত বিনিয়োগৰ বাবে ৰিলায়েন্স কৰ্তৃপক্ষক আমন্ত্ৰণ জনাইছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শদিয়াৰ টুপছিঙাত কেবালক্ষ

জানো ৰাখিছ খবৰ...” এগৰাকী গণশিল্পীৰ প্ৰতি কিমান মৰম, কিমান স্নেহ থাকিলে আদ্যশ্ৰাদ্ধৰ দিনটোত লাখ লাখ লোকৰ সমাগম হ'ব পাৰে, সেয়া আজি শদিয়াৰ টুপচিঙা গাঁৱত মৰ্মে মৰ্মে উপলব্ধি কৰিছে অসমৰ দুই লক্ষাধিক খিলঞ্জীয়া জনতাই। লোকে লোকাৰণ্য শদিয়াত আজি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লক্ষ লক্ষ জনতাৰ উপস্থিতিয়ে প্ৰমাণ কৰি দেখুৱালে এগৰাকী প্ৰকৃত গণশিল্পীৰ প্ৰতি ৰাইজৰ থকা মৰম, স্নেহ, ভালপোৱা তথা দায়বদ্ধতা। জাতিৰ দুৰ্যোগৰ সময়ত এগৰাকী প্ৰকৃত গণশিল্পীয়ে গীতৰ মাজেৰে জাতিটোক উদ্বুদ্ধ কৰাৰ প্ৰতিদানত আজি ৰাইজে দেখুওৱাই দিলে খিলঞ্জীয়াৰ জাতীয়তাবাদী ঐক্যবদ্ধতা, যি ঐক্যবদ্ধতাই অসমীয়া জাতিক শিৰ উচ্চ কৰি, মেৰুদণ্ড পোনাই জাতিটোক ন-ৰূপত থিয় কৰাব। জাতিক ভাল পোৱা, দেশক ভাল পোৱা ৰাজীৱ শদিয়াৰ দৰে গণশিল্পী অসমৰ জনতাৰ হৃদয়ত লুইতখনৰ দৰে চিৰ প্ৰবাহমান হৈ ৰ'ব। টুপচিঙাৰ দৰে এখন ভিতৰুৱা গাঁৱত অনুষ্ঠিত সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধলৈ ৰাজনীতিৰ বাঘা বাঘা নেতাৰ লগতে আবাল, বৃদ্ধ, বনিতাৰ লানি নিছিগা সোঁতে যুগ-যুগান্তৰলৈ দেখাই থৈ গ'ল খিলঞ্জীয়া তথা থলগিৰিৰ একতা। যোৱা ১২ জানুৱাৰীত অকাল মৃত্যুক আঁকোৱালি লোৱা গণশিল্পী ৰাজীৱ শদিয়াৰ জন্মস্থান শদিয়াৰ টুপচিঙা গাঁৱত আজি অনুষ্ঠিত হোৱা ৰাজহুৱা আদ্যশ্ৰাদ্ধ উপলক্ষে শনিবাৰৰ নিশাৰ পৰাই টুপচিঙা গাঁৱলৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ ৰাইজৰ সোঁত বয়। জাতি-মাটিৰ গীত গাই ৰাইজৰ হিয়াৰ আমঠু হৈ পৰা তথা গণশিল্পী ৰাজীৱ শদিয়াই যোৱা ১২ জানুৱাৰীত অৰ্থাৎ মাঘ বিহুৰ উৰুকাৰ আগদিনা গীত পৰিৱেশন কৰি থাকোঁতেই ঢলি পৰি আকস্মিক মৃত্যুক আঁকোৱালি লৈছিল। টুপচিঙা গাঁৱৰ সুবিশাল পথাৰত আয়োজিত গণশিল্পী গৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধভাগি পুৱা ধৰ্মীয় ৰীতি-নীতিৰে আৰম্ভ হ'য়। প্ৰয়াত শিল্পীগৰাকীৰ মৈদামত পত্নী উপাসনা বকলিয়াল গগৈয়ে বন্তি প্ৰজ্বলন কৰে। পুৱাই বিশিষ্ট কণ্ঠশিল্পী মহেন্দ্ৰ হাজৰিকাৰ লগতে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে শিল্পীগৰাকীৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি যঁচাৰ পাছতেই উপস্থিত লক্ষাধিক লোকে পুৱাৰ পৰা বিয়লিলৈকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। টুপচিঙা গাঁৱৰ পথাৰত অনুষ্ঠিত কৰা ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ অতিথিশালাৰ কাষতেই থকা গণশিল্পী ৰাজীৱ শদিয়াৰ স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানস্থলীত ৰাজীৱ শদিয়াৰ স্মৃতিত উন্মোচন কৰা হ'য় " গণশিল্পী ৰাজীৱ শদিয়া " নামৰ স্মৃতিগ্ৰন্থখনি। ইয়াৰ পূৰ্বে " সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়া ন্যাস " নামৰ স্কেনাৰটো মুকলি কৰে কণ্ঠশিল্পী মহেন্দ্ৰ হাজৰিকাই। সমান্তৰালভাৱে অনুষ্ঠিত হোৱা স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰাজীৱ শদিয়াৰ নামত উৎসৰ্গা কৰা কেইবাটাও গীত উন্মোচন কৰা হ'য়। সেইবোৰৰ ভিতৰত অসীম জোনাকৰ কণ্ঠৰ " মৰমৰ ককাই ", ৰাজীৱ শদিয়াৰ কণ্ঠৰ " অসমী আইৰ বিননি ", সঞ্জীৱ বৰাৰ ৰচনাৰ "মৰহাৰ অঙঠা ফুল" , যতীন চেতিয়া (মামা) ৰ কথা আৰু প্ৰযোজনাৰ "ৰাজীৱ প্ৰণামো তোমাক" আদি অন্যতম। কবি সুৰেন্দ্ৰ শদিয়াই আঁত ধৰা অনুষ্ঠানত গুৱাহাটীৰ অধিবক্তা সঞ্জীৱ বৰাই তেওঁ ৰচনা কৰা "তেজত উঠিছে পিৰপিৰণি", "বৰঘৰত সোমালে বিদেশী বঙালী", "নিৰ্বাচন" কে ধৰি কেইবাটাও গীতত ৰাজীৱ শদিয়াই কণ্ঠদান কৰাৰ সোঁৱৰে। এতিয়ালৈকে মুঠ ১৯ টাকৈ দেশপ্ৰেমমূলক গীত ৰচনা কৰা অধিবক্তা সঞ্জীৱ বৰাই ৰাজীৱ শদিয়াৰ গণশিল্পীক লৈ চৰকাৰে কৰা অৱহেলাৰ সন্দৰ্ভত ক্ষোভ প্ৰকাশ কৰাৰ লগতে ৰাজীৱ শদিয়াৰ নামত "জাতীয়তাবাদৰ দিন" উদযাপন কৰিব লাগে বুলিও মন্তব্য কৰ। অনুষ্ঠানত মাকুম বাৰেকুৰিবাসীয়ে বাৰেকুৰি অঞ্চলত ৰাজীৱ শদিয়াৰ এটি পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপন কৰাৰ লগতে প্ৰতিবছৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতিব বুলি ঘোষণা কৰাৰ লগতে ৰাজীৱ শদিয়াৰ পত্নী আৰু একমাত্ৰ সন্তানক আগন্তুক দিনত সহায়ৰ হাত আগবঢ়াব বুলিও প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানতেই ৰাজীৱ শদিয়াৰ পত্নীৰ হাতত বাৰেকুৰিবাসীৰ হৈ ৪,১১,১১১.০০ টকাৰ চেক তুলি দিয়ে প্ৰাক্তন আলফা নেতা প্ৰবাল নেওগে। অনুষ্ঠানত পত্নী উপাসনা বকলিয়াল গগৈয়ে আৱেগিক হৈ ক'য়, " মোৰ মানুহজন যদিও কায়িকভাৱে আমাৰ মাজত নাই, তথাপিও তেওঁৰ গীতৰ মাজেৰে সদায়েই আমাৰ মাজত জীয়াই থাকিব। অসমীয়া জাতি থাকে মানে ৰাজীৱ শদিয়া জীয়াই থাকিব, এয়া মোৰ বিশ্বাস, আশা আৰু আস্থা। ৰাজীৱ দাই মোক তেখেতৰ হৈ ল'ৰা এটা দি থৈ গৈছে। ল'ৰাটোকো মই এদিন জাতিটোৰ কাৰণে আগবঢ়াই দিম। এইখিনি কৰোঁতে আপোনালোকৰ সাহস আৰু অনুপ্ৰেৰণা সদায়েই প্ৰয়োজন হ'ব। ১২ জানুৱাৰীৰ পৰা আজিৰ এই মূহুৰ্তলৈকে বিভিন্নজনে আমাক যি সহায় আগবঢ়াই আহিছে, সকলোলৈকে মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। মোৰ মানুহজনক কৃপনালি নকৰাকৈ আপোনালোকে যি মৰম দিলে, সেয়া মই ভাষাৰে বৰ্ণনা কৰিব নোৱাৰোঁ।" টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰে কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বনিয়াৰ ঘৰত যাব পাৰে, কিন্তু এগৰাকী গণশিল্পীৰ ঘৰলৈ খবৰ লবলৈ এদিনো নাহিল। ৫ লাখ টকা দিয়েই মুখ্যমন্ত্ৰীয়ে দায়িত্ব সামৰিলে নহ'ব। ৫ লাখ টকা খৰচ হ'বলৈ বেছি দিন নালাগে।" প্ৰয়াত ৰাজীৱ শদিয়াৰ স্মৃতি জীয়াই ৰখাৰ কাৰণে টাইপাই ৰাইজৰ সৈতে আলোচনা কৰি পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়। টাইপাৰ উদ্যোগত শদিয়াত প্ৰতি বছৰে অনুষ্ঠিত হোৱা চাওলুং চুকাফা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ দিনা ৰাজীৱ শদিয়াৰ নামত এটি বঁটা প্ৰদান কৰাৰ কথাও ঘোষণা কৰে ৰাজকোঁৱৰে। যোৱা ৩০ জানুৱাৰীত টাইপাই বীৰ পানৰাও সদ্যপ্ৰয়াত ৰাজীৱ শদিয়াৰ নামত বঁটা প্ৰদান কৰাৰ সন্দৰ্ভতো জানিবলৈ দিয়ে টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইয়ে কয়, " চৰকাৰে পৃষ্ঠপোষকতা নকৰা কোনো অনুষ্ঠানতে ইমান মানুহ হোৱা মই দেখা নাই। এয়া মই নিশ্চিতভাৱে ক'ব পাৰোঁ। আজি চাৰিওফালে কেৱল মানুহ আৰু মানুহ। ৰাজীৱ শদিয়াই সমাজ পৰিৱৰ্তনৰ বাবে গীত গাইছিল। পল ৰবচন আৰু ড° ভূপেন হাজৰিকাইও সমাজ পৰিৱৰ্তনৰ বাবে গীত গাইছিল। ৰাজীৱ শদিয়াই জাতিটোৰ কাৰণে, ৰাজ্য তথা স্বদেশৰ বিৰুদ্ধে চৰকাৰে কৰা কামৰ সন্দৰ্ভত গীত ৰচনা কৰিছিল, গীত গাইছিল।" ৰাজীৱ শদিয়াৰ লগত অসম জাতিয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ আত্মিক সম্পৰ্কৰ কথাও দোহাৰে কেন্দ্ৰীয় সভাপতি গৰাকীয়ে। উল্লেখ্য যে, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ নামত অনুষ্ঠিত কৰিবলগীয়া যিকোনো অনুষ্ঠানত নিজৰ সাংসদ পুঁজিৰ পৰা ১০ লাখ টকা অনুদান আগবঢ়োৱাৰ কথাও ঘোষণা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ

২০২৩ৰ মে’ মাহৰ পৰাই মণিপুৰত অব্যাহত আছে গোষ্ঠীগত হিংসা। বৰ্তমান সময়ত এই হিংসা কিছু শাম কাটিলেও এতিয়াও শান্ত হোৱা নাই মণিপুৰ। ৰাজ্যখনৰ এনে অস্থিৰ পৰিস্থিতিৰ মাজতে বিজেপিৰ ভিতৰচ’ৰাত ক্ৰমাৎ বৃদ্ধি পায় বিদ্ৰোহ। এনে কাৰণতে কেন্দ্ৰীয় নেতৃত্বৰ নিৰ্দেশত অৱশেষত মুখ্যমন্ত্ৰী পদৰ ত্যাগ কৰিবলৈ বাধ্য হয় বীৰেন সিং। দেওবাৰে সন্ধিয়া ৰাজভৱনত বীৰেন সিঙে ৰাজ্যপাল অজয় কুমাৰ ভল্লাৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। তেওঁৰ সৈতে বিজেপি আৰু নগা পিপলছ ফ্ৰণ্টৰ ১৪ গৰাকী বিধায়ক উপস্থিত থাকে। ৰাজ্যিক বিজেপিৰ সভাপতি এ শাৰদা আৰু দলটোৰ অন্যতম কেন্দ্ৰীয় নেতা সম্বিত পাত্ৰও উপস্থিত থাকে। উল্লেখ্য যে, ২০২৩ চনৰ মে’ মাহত ৰাজ্যখনত ব্যাপক জনগোষ্ঠীয় সংঘৰ্ষৰ সৃষ্টি হৈছিল, য’ত ২৫০ জনতকৈ অধিক লোকৰ মৃত্যু হৈছিল আৰু হাজাৰ হাজাৰ লোক গৃহহীন হৈছিল। এই হিংসাৰ পটভূমিত বিজেপিৰ বিৰুদ্ধে প্ৰশাসনিক ব্যৰ্থতাৰ অভিযোগ উত্থাপন হৈছে। ৰাজ্যখনৰ দুটা মূল সম্প্ৰদায় মেটেই আৰু কুকিৰ মাজত বিভাজন গভীৰ হৈ পৰিছে। পৰিস্থিতি ইমানেই জটিল হৈ পৰে যে যোৱা বছৰৰ জুলাই মাহত এবাৰ মুখ্যমন্ত্ৰী বীৰেন সিঙে পদত্যাগ কৰিবলৈ চেষ্টা কৰিছিল। তাৰ পিছত তেওঁৰ ঘৰৰ সন্মুখত হাজাৰ হাজাৰ সমৰ্থক গোট খাই তেওঁক পদত্যাগ কৰাত বাধা দিয়ে। ক্ষুব্ধ ৰাইজৰ হেঁচাত অৱশেষত ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল নকৰাকৈয়ে তেওঁ উভতি আহিছিল। কিন্তু এইবাৰ ৰাজনৈতিক পৰিস্থিতি অধিক প্ৰতিকূল হৈ পৰাত তেওঁ পদত্যাগৰ চূড়ান্ত সিদ্ধান্ত ল’বলৈ বাধ্য হয়। মন কৰিবলগীয়া যে, ৰাজ্যখনৰ কমেও ১২ গৰাকী বিজেপি বিধায়কে দীৰ্ঘদিন ধৰি নেতৃত্বৰ পৰিৱৰ্তনৰ দাবী জনাই আহিছিল। খবৰ অনুসৰি, শেহতীয়াকৈ বিধানসভাৰ অধ্যক্ষ আৰু মুখ্যমন্ত্ৰীৰ মাজতো বাঢ়িবলৈ আৰম্ভ কৰিছিল উত্তেজনা। ইয়াৰ মাজতে বিদ্ৰোহী বিধায়কৰ এটা অংশই দিল্লীলৈ গৈ গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি নেতৃত্ব সলনি কৰাৰ দাবী জনায়। বিৰোধী কংগ্ৰেছেও বীৰেন সিঙৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰাৰ কথা ঘোষণা কৰে। এনে পৰিস্থিতিত বৃহৎ সংকটৰ পৰা হাত সাৰিবলৈ বিজেপি হাইকমাণ্ডে তেওঁক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। অন্যহাতে, একাংশৰ মতে মণিপুৰৰ মুখ্যমন্ত্ৰীৰ পদত্যাগৰ আঁৰতো আছে বিজেপিৰ ৰাজনৈতিক কৌশল। শেহতীয়াকৈ মহাৰাষ্ট্ৰ, হাৰিয়ানা আৰু দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে সফলতা অৰ্জন কৰিছে। কিন্তু মণিপুৰৰ অশান্তি আৰু আভ্যন্তৰীণ দলীয় সংঘাতৰ ফলত সেই ইতিবাচক ভাবমূৰ্তিৰ ক্ষতি আশংকা কৰে নেতৃত্বই। তদুপৰি কুকি সম্প্ৰদায়ৰ এজন ব্যক্তিয়ে উচ্চতম ন্যায়ালয়ত দাখিল কৰা এজাহাৰেও বিজেপিক হেঁচাত পেলাইছিল। এই হিংসাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিজেই উচটনি দিয়া বুলি দাবী কৰে লোকজনে। কিছুমান ফাদিল অডিঅ’ টেপৰ ভিত্তিত তেওঁৰ বিৰুদ্ধে উত্থাপিত হয় অভিযোগ। ব্যক্তিগত ফৰেনছিক প্ৰতিষ্ঠান ট্ৰুথ লেবছে জনোৱা মতে, ৯৩% ক্ষেত্ৰত অডিঅ’ত থকা কণ্ঠ বীৰেন সিঙৰ কণ্ঠৰ সৈতে মিল খায়। উচ্চতম ন্যায়ালয়ে এই বিষয়ত কেন্দ্ৰীয় ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বিতং প্ৰতিবেদন বিচাৰিছে। ইয়াৰ মাজতে, দেওবাৰে পুৱা দিল্লীলৈ গৈ বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে সাক্ষাৎ কৰে বীৰেন সিঙে। তেতিয়াই তেওঁৰ পদত্যাগৰ সিদ্ধান্ত চূড়ান্ত হয়। ইয়াৰ পিছতে ইম্ফললৈ উভতি আহি সন্ধিয়া ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে সিঙে। পদত্যাগ পত্ৰত তেওঁ লিখিছে, "মণিপুৰৰ জনসাধাৰণক ইমান দিনে সেৱা আগবঢ়োৱাৰ সুযোগ পাই গৌৰৱ অনুভৱ কৰিছো। ৰাজ্যৰ উন্নয়নৰ বাবে কেন্দ্ৰই গ্ৰহণ কৰা সময়োপযোগী পদক্ষেপৰ বাবে মই কৃতজ্ঞ।" ইফালে বীৰেন সিঙে বহু পলমকৈ পদত্যাগৰ সিদ্ধান্ত লোৱা বুলি মন্তব্য কৰিছে বিৰোধী কংগ্ৰেছে। কংগ্ৰেছ নেতা উদিত ৰাজে কয়, "যেতিয়া আমি সঠিক সময়ত তেওঁক অপসাৰণৰ দাবী জনাইছিলো, তেতিয়া বিজেপিয়ে একোৱেই কৰা নাছিল। দুয়োটা সম্প্ৰদায়ৰ মাজত স্থায়ী বিভাজনৰ সৃষ্টি হৈছে। এতিয়া পদত্যাগ কৰাটো কোনো কথা নাই।" কংগ্ৰেছৰ সাংসদ ইমৰাণ মাছুদে কয়, "ইমান মানুহৰ প্ৰাণ যোৱাৰ পিছত ৰাজ্যখন বিভাজিত কৰাৰ পিছত এতিয়া আপুনি পদত্যাগ কৰিছে! কেন্দ্ৰই এতিয়া দুয়োটা সম্প্ৰদায়ৰ মাজত সংযোগ গঢ়ি তুলি শান্তি ঘূৰাই আনিব লাগে।" কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয়, "পৰিস্থিতি বুজি মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰিছে। যোৱা বছৰৰ মে' মাহৰ পৰাই কংগ্ৰেছে পদত্যাগ দাবী কৰি আহিছিল, যেতিয়া মণিপুৰত হিংসাত্মক পৰিস্থিতি আৰম্ভ হৈছিল তেতিয়াৰ পৰাই তেওঁৰ পদত্যাগৰ দাবী উঠিছিল। কিন্তু যোৱা বিশ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এবাৰো মণিপুৰলৈ যোৱা নাই।" উল্লেখ্য যে, বৰ্তমান বিজেপিৰ ৩২ জন বিধায়কৰ লগতে নগা পিপলছ ফ্ৰণ্টৰ ৫ জন আৰু জনতা দল (ইউনাইটেড)ৰ ৬ জন বিধায়ক চৰকাৰৰ সমৰ্থনত আছে। আনহাতে বিৰোধী কংগ্ৰেছৰ মাত্ৰ ৫ জন বিধায়ক আছে মণিপুৰত। লক্ষ্যণীয় যে, ১০ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ’ব মণিপুৰ বিধানসভাৰ অধিৱেশন। এই অধিবেশনত অনাস্থা প্ৰস্তাৱৰ ওপৰত আলোচনা হোৱাৰ কথা আছিল। কিন্তু মুখ্যমন্ত্ৰীৰ পদত্যাগৰ ফলত সেই আলোচনা অসাৰ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভমেলাত পুনৰ অগ্নিকাণ্ড

দেশ-বিদেশৰ লক্ষ লক্ষ ভক্তৰ সমাগমেৰে উথপথপ হৈ পৰা প্ৰয়াগৰাজৰ কুম্ভমেলাত একেটা সপ্তাহতে সংঘটিত হ’ল দ্বিতীয়টো অগ্নিকাণ্ডৰ ঘটনা। দেওবাৰে ছেক্টৰ ১৯ত সংঘটিত অগ্নিকাণ্ডত কেইবাটাও তম্বু জ্বলি ছাই হৈ পৰে। তাৎপৰ্যপূৰ্ণভাৱে জানুৱাৰী মাহৰ আৰম্ভণিতে এই একেটা স্থানতেই সংঘটিত হৈছিল ভয়ংকৰ অগ্নিকাণ্ড। এই অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই যদিও একেটা স্থানতে বাৰে বাৰে সংঘটিত এনে দুৰ্ঘটনাৰ বাবে কুম্ভত সুৰক্ষা ব্যৱস্থাক লৈ নতুন বিতৰ্কৰ সৃষ্টি কৰিছে।১৩ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা মহাকুম্ভ মেলাৰ পাছৰ পৰাই পৰিছে দুৰ্ঘটনাৰ ক’লা ছাঁ। এফালে পদপিষ্ট হৈ মৃত্যুক সাৱটিবলগীয়া হৈছে কমেও ৩০ জন লোকে, আনফালে ধাৰাবাহিকভাৱে অগ্নিকাণ্ডৰ ফলত আতংক বৃদ্ধি পাইছে। দেওবাৰে ছেক্টৰ ১৯ৰ কল্পবাসী সম্প্ৰদায়ৰ বাবে স্থাপন কৰা এটা তম্বুত সংঘটিত হয় অগ্নিকাণ্ড। প্ৰাথমিক তদন্তত গেছ চিলিণ্ডাৰ লিক হোৱাৰ বাবেই এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। তথ্য লাভ কৰাৰ পিছতে অগ্নিনিৰ্বাপক বাহিনীয়ে সেই স্থানত উপস্থিত হৈ দহ মিনিটৰ ভিতৰতে জুই নিয়ন্ত্ৰণলৈ আনে। কুম্ভৰ মুখ্য অগ্নিনিৰ্বাপক বিষয়া প্ৰমোদ শৰ্মাই জানিবলৈ দিয়া মতে, ওমপ্ৰকাশ পাণ্ডে সেৱা সংস্থাৰ তম্বুত সংঘটিত হোৱা অগ্নিকাণ্ডৰ তথ্য লাভ কৰাৰ লগতে তিনিখন অগ্নিনিৰ্বাপক বাহিনীৰ বাহন প্ৰেৰণ কৰা হয়। কিন্তু এই একেটা স্থানতে যোৱা ১৯ জানুৱাৰীত সংঘটিত হৈছিল আন এক ভয়ংকৰ অগ্নিকাণ্ড। সেই অগ্নিকাণ্ডতো জ্বলি ভস্মীভূত হৈছিল ডজনৰো অধিক তম্বু। তাৰ ঠিক ছয় দিনৰ পাছত ২৫ জানুৱাৰীত ছেক্টৰ ২ত অগ্নিকাণ্ড সংঘটিত হয়, য’ত দুখন গাড়ী ধ্বংস হয়। আনকি যোৱা শুকুৰবাৰেও ছেক্টৰ ১৮ৰ ইস্কন টেণ্টত সংঘটিত হয় অগ্নিকাণ্ড। এই বাৰম্বাৰ ঘটনাই কুম্ভৰ নিৰাপত্তা ব্যৱস্থাপনাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। ইমান বৃহৎ পৰিঘটনাৰ সময়ত কিয় অগ্নিকাণ্ড সংঘটিত হৈ থাকে? গেছ চিলিণ্ডাৰ ব্যৱহাৰ কৰাত কিবা গাফিলতি হৈছে নেকি? নে জুই নিৰ্বাপনৰ ব্যৱস্থা পৰ্যাপ্ত নহয়? বাৰে বাৰে সংঘটিত হোৱা দুৰ্ঘটনাৰ বাবে কোন দায়ী? প্ৰশাসনে এতিয়াও স্পষ্ট উত্তৰ দিব পৰা নাই যদিও ইতিমধ্যে বিভিন্ন পক্ষৰ পৰা সমালোচনাৰ জোঁৱাৰ উঠিছে। মন কৰিবলগীয়া যে সনাতন ধৰ্মৰ এই পবিত্ৰ উৎসৱ মহাকুম্ভ মেলাত উপস্থিত হৈছে দেশ তথা দেশৰ বাহিৰৰ লক্ষ লক্ষ ভক্ত আৰু সাধু-সন্যাসী। কিন্তু ইটোৰ পিছত সিটো দুৰ্ঘটনাই কুম্ভৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা হ্ৰাস কৰিছে। বিশেষকৈ একে ঠাইতে বাৰে বাৰে অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাত এতিয়া সকলোৰে মনত প্ৰশ্ন উত্থাপন হৈছে যে এয়া কেৱল কাকতলীয়া নে গাফিলতিৰ পৰিণাম।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উলংগ বাবাক অনুমতি দিয়ে, নিদিয়ে

উত্থাপন হৈছে। কটন বিশ্ববিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়ক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলওৱাত গুৱাহাটী আৰক্ষীয়ে বাধা দিয়াক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। আজি পুৱাৰ ভাগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ৰেশভুষাৰে মুখ্যগেটৰ পৰা শাৰী পাতি ওলাই অহাৰ সময়তে শোভাযাত্ৰাকাৰীক বৃহৎ আৰক্ষীৰ দলে বাধা দিয়ে। আৰক্ষীয়ে স্পষ্টকৈ কয় যে কোনো কাৰণতে শোভাযাত্ৰা কৰিবলৈ দিয়া নহ'ব। ছাত্ৰ-ছাত্ৰীসকলে চাদৰ-মেখেলা, জনজাতীয় সাজ-সজ্জা পৰিধান কৰি আহিছিল যদিও শোভাযাত্ৰা কৰিব নোৱাৰি ক্ষোভত ফাটি পৰে। হাতে হাতে বেনাৰ, পোষ্টাৰ, বিভিন্ন প্ৰতীকপট আদি লৈ আহিছিল যদিও ছাত্ৰ-ছাত্ৰীসকলে শোভাযাত্ৰা আধাতে এৰিবলৈ বাধ্য হয়। সেই সময়ত কেইবাগৰাকী আৰক্ষীৰ বিষয়াৰ সৈতে ছাত্ৰ সমাজে তৰ্কা-তৰ্কিত লিপ্ত হয়। ছাত্ৰ সমাজ আকোৰগোজ হৈ শোভাযাত্ৰাকাৰীসকল আগুৱাই যাব খোজে যদিও আৰক্ষীৰ দলে সৰ্বশক্তিৰে বাধা দিয়ে। ফলত সেই ঠাইতে স্তব্ধ হৈ পৰে ছাত্ৰ সমাজৰ সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা আৰম্ভ কৰাৰ সময়তে আৰক্ষীয়ে বাধা প্ৰদান কৰি শোভাযাত্ৰা সফলভাৱে সম্পন্ন কৰিব নিদিলে। কটন বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাই উগ্ৰমূৰ্তি ধৰি আৰক্ষীক বিভিন্ন প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰে যদিও আৰক্ষীৰ হাতত কোনো উত্তৰ নাছিল। কিন্তু আৰক্ষীয়ে পিছত এটা কথা স্পষ্ট কৰে যে এডভান্টেজ আসাম আৰু অন্যান্য কাৰ্যসূচীৰ বাবে গুৱাহাটীলৈ বিভিন্ন ভিভিআইপি আহিছে যাৰ বাবে গুৱাহাটীৰ ভিতৰত এনেধৰণেৰ শোভাযাত্ৰা উলিয়াব দিয়াত বাধা দিয়া হৈছে। তেতিয়া ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াই কালি সন্দিকৈ ছাত্ৰী মহাবিদ্যালয়ৰ শোভাযাত্ৰা আৰু আজি পুৱা মাৰাথন দৌৰ কেনেদৰে গুৱাহাটীৰ মাজ-মজিয়াত কৰিব পাৰিলে বুলি প্ৰশ্ন কৰে। তেতিয়া আৰক্ষীৰ হাতত কোনো উত্তৰ নাছিল। তেতিয়া ছাত্ৰ একতা সভাৰ নেতৃত্বই কয় যে আমি অনুমতিৰ বাবে আৱেদন দিছিলো। কিন্তু আমাৰ অৱেদন অগ্ৰাহ্য কৰা হৈছে। সন্দিকৈ কলেজৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব বুলি আৰক্ষীক প্ৰশ্ন কৰা হয়। সেই প্ৰশ্নৰ উত্তৰো নাছিল আৰক্ষী বিষয়াৰ হাতত। কটন বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাজকজনে কয় যে আমি আমাৰ নিজৰ ৰাস্তাটোত শোভাযাত্ৰা কৰিব খুজিছিলো। আমি অনুমতিৰ বাবে গৈছিলো। কিন্তু অনুমতি নিদিলে। এডভান্টেজ আসামৰ কথা কোৱা হৈছে। আমি দীঘলীপুখুৰীপাৰ দিশে যাব খোজা নাই। আমি কেৱল আমাৰ চৌহদত এপাক মাৰিব খুজিছো। কিন্তু আমাক আৰক্ষীয়ে বাধা দিছে। সাধাৰণ সম্পাজকজনে আমাক শোভাযাত্ৰা কৰিব দিবই লাগিব বুলি হুংকাৰ দিয়ে। ক্ষোভেৰে সাধাৰণ সম্পাদকজনে আৰু কয় যে আমাক হোষ্টেলৰ ৰাস্তা কেইটালৈ ওলাব নিদিলে। আমাক গেটতে আৱদ্ধ কৰি থৈছে। তেতিয়া একাংশ ছাত্ৰই কয় যে কটন বিশ্ববিদ্যালয় হৈছে ৰাজ্যৰ আগশাৰীৰ বিশ্ববিদ্যালয়। কিন্তু এইখন বিশ্ববিদ্যালয়ৰ এখন খেলপথাৰ নাই। কটনৰ এটা ডাঙৰ কেম্পাছ নাই। যিটো এলেকাত কটন আছে সেই এলেকাটোৰ বাট-পথক লৈ কটনৰ কেম্পাছ। কটনৰ সন্মুখ ভাগ নেহেৰু পাৰ্কৰ নহয় সেয়া কটনৰ অংশ বুলি দাবী কৰে। এগৰাকী ছাত্ৰীয়ে স্পষ্টকৈ কয় যে আমি অন্য ঠাইলৈ যাব খোজা নাছিলো। আমি কেৱল কটনৰ চৌদিশে থকা ৰাস্তাটোত শোভাযাত্ৰা কৰিব খুজিছিলো। কিন্তু আমাক অনুমতি দিয়া নাই। যাৰ বাবে চৰকাৰ-প্ৰশাসনৰ এই ব্যৱহাৰ মানি নলও। আৰক্ষী-প্ৰশাসনৰ ব্যৱহাৰত হতভম্ভ কটনৰ ছাত্ৰ সমাজে শোভাযাত্ৰা কৰিব নিদিয়া কাৰ্যৰ বিৰুদ্ধে কটনৰ ৫ হাজাৰ ছাত্ৰই ৰাজপথ অৱৰোধ কৰি প্ৰতিবাদ কৰাৰ হুংকাৰ দিয়ে। ৰাজ্যৰ প্ৰতিখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় সপ্তাহ বিশ্ববিদ্যালয় সপ্তাহ বিশেষভাৱে পালন কৰি অন্তিমটো দিনত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই। সেয়া ৰাজ্যখনৰ উচ্চ শিক্ষানুষ্ঠানসমূহ পৰম্পৰা। যি পৰম্পৰা যোগে ছাত্ৰ সমাজে ৰাজ্যখনৰ জাতীয় কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন, ঐতিহাসিক সম্পদ আদিক প্ৰতীকী ৰূপত তুলি ধৰি জাতীয় সংস্কৃতিক চহকী কৰে। পৰম্পৰা ৰক্ষা পূৰ্বৰ বছৰবোৰৰ দৰেই এইবেলিও কটন বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় সপ্তাহ উপলক্ষে শোভাযাত্ৰা উলিয়াইছিল যদিও শোভাযাত্ৰাত বাধা প্ৰদান আৰক্ষীৰ। শোভাযাত্ৰা উলিওৱাৰ অনুমতি প্ৰদান নকৰিলে প্ৰশাসনে। কটন বিশ্ববিদ্যালয়ৰ দৰে ৰাজ্যৰ বৌদ্ধিক চিন্তাৰ বৰঘৰ স্বৰূপ বিশ্ববিদ্যালয়খনত আৰক্ষীয়ে নতুন প্ৰজন্মক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাত বাধা প্ৰদান কৰা কাৰ্যক ৰাজ্যৰ সচেতন সমাজে এতিয়া সহজে ল'ব পৰা নাই। বিশ্ববিদ্যালয়খনৰ শোভাযাত্ৰাত চৰকাৰৰ নজৰ কিয় পৰিছে তাক লৈ সজাগ তথা সচেতন লোকে সামাজিক মাধ্যমযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিষয়টোৱে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পদত্যাগ কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰীয়ে

পদৰ পৰা পদত্যাগ কৰে আতিশী মাৰ্লেনাই। দেওবাৰে দিল্লীৰ উপ-ৰাজ্যপাল ভি কে ছাক্সেনাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে মুখ্যমন্ত্ৰী আতিশীয়ে। লগতে তেওঁ সপ্তম দিল্লী বিধানসভা ভংগ কৰাৰ কথাও ঘোষণা কৰে। উল্লেখ্য যে, শনিবাৰে ঘোষিত হোৱা দিল্লী বিধানসভা নিৰ্বাচনৰ ফলাফলত ৭০খন আসনৰ ভিতৰত ৪৮ খনতে বিজয় সাব্যস্ত কৰি চৰকাৰ গঠনৰ বাবে নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰে বিজেপিয়ে। আনহাতে এই নিৰ্বাচনত কেৱল ২২ খন আসনতে সীমাবদ্ধ হৈ পৰে আম আদমী পাৰ্টি। পূৰ্বৰ ধাৰা অব্যাহত থাকি এইবাৰো আসন লাভৰ পৰা বঞ্চিত হয় কংগ্ৰেছ। এই নিৰ্বাচনত আপৰ শীৰ্ষ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিছ'দিয়া আৰু সৌৰভ ভৰদ্বাজ পৰাজিত হয়। অৱশ্যে মুখ্যমন্ত্ৰী আতিশীয়ে কালকাজী আসনৰ পৰা জয়লাভ কৰি মান ৰক্ষা কৰে। আপৰ এই পৰাজয়ৰ পিছতে সুদীৰ্ঘ ২৬ বছৰৰ পাছত পুনৰ দিল্লী বিধানসভালৈ উভতিছে বিজেপি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলৰ বিজয়ী প্ৰাৰ্থীসকলক অভিনন্দন জনাই দিল্লীত বিজেপিয়ে উন্নয়নৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি কয়। সূত্ৰৰ পৰা জানিব পৰা মতে, প্ৰধানমন্ত্ৰী মোদী আমেৰিকা ভ্ৰমণৰ পৰা উভতি অহাৰ পিছত অহা সপ্তাহত এক বিশাল শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। এনডিএ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হ'ব। আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জেপি নাড্ডাৰ বৈঠকত চৰকাৰ গঠনৰ বিষয়ে আলোচনা কৰা হয়। লক্ষ্যণীয় যে, আতিশীয়ে প্ৰায় পাঁচ মাহ দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত দিল্লীৰ বিতৰ্কিত সুৰা নীতিৰ সৈতে জড়িত এটা গোচৰত কাৰাবন্দী হ'বলগীয়া হৈছিল কেজৰিৱাল। পিছত জামিন লাভ কৰি ওলাই অহাৰ পিছতে কেজৰিৱালে পদত্যাগ কৰে আৰু আতিশীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। পৰাজয়ৰ পিছত কেজৰিৱালে কয় যে দিল্লীৰ জনসাধাৰণে দিয়া ৰায় আমি মানি লওঁ। ৰাইজৰ সিদ্ধান্ত চূড়ান্ত। বিজেপিক বিজয়ৰ বাবে অভিনন্দন আৰু ৰাইজৰ আশা পূৰণ কৰিব বুলি আশা কৰিলোঁ।" অন্যহাতে, বিজেপিৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী এতিয়াও ঘোষণা কৰা হোৱা নাই। অৱশ্যে নতুন দিল্লীৰ পৰা নৱনিৰ্বাচিত বিধায়ক প্ৰৱেশ বাৰ্মাৰ নাম সৰ্বাধিক চৰ্চাত আছে। নতুন দিল্লী সমষ্টিত তেওঁ আপৰ মুৰব্বী কেজৰিৱালক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰদেৱ সংঘৰ অধিৱেশনৰ সামৰণি

কৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক ৬-৯ ফেব্ৰুৱাৰীলৈ যোৰহাট জিলা সংঘৰ আমন্ত্ৰণত পশ্চিম যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত সফলভাৱে সমাপন হ'ল। আজি দুপৰীয়াৰ পৰা পদাধিকাৰ তীৰ্থনাথ গোস্বামী সোঁৱৰণী মূল মঞ্চত পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি পৌৰাণিক কালৰ ঘটনাক্ৰৰ ব্যাখ্যাৰে অধিৱেশনস্থলীত উপস্থিত থকা মন্ত্ৰী, বিধায়ক, সাংসদ, অনুষ্ঠানসমূহৰ বিষয়ববীয়া, প্ৰতিনিধি সংগীৰ লগতে উপস্থিত থকা লোকসকলক স্বভাৱ সুলভ ৰসাল বক্তৃতাৰে শিক্ষা দিলে। ভাষণত অধ্যক্ষগৰাকীয়ে পৌৰাণিক কালত দেৱ-দেৱতাৰ লগতে স্বয়ং ভগৱান শ্ৰীকৃষ্ণৰে অসমত সেই সময়ত শাসন কৰি থকা ৰজা-মহাৰজাসকলে আত্মীক, বৈবাহিক সম্পৰ্ক, তয়াময়া ৰণ, পতন হোৱাৰ কাৰণ আদি উদাহৰণেৰে সৈতে ব্যাখ্যা কৰি পদবী লৈ হোৱা অহংকাৰৰ বাবে পতন হোৱাৰো উল্লেখ কৰে। এই সকলোবোৰ কথা জনসাধাৰণৰ উপকাৰৰ বাবেই শ্ৰীমন্ত শংকৰদেৱে শাস্ত্ৰসমূহত লেখি থৈ যোৱাৰ লগতে ভাওনা, নৃত্য-গীতৰ জৰিয়তে শিক্ষা ল'বলৈ দি থৈ গৈছে। অসম মানে উত্তৰ পূৰ্বাঞ্চল। কেৱল অসমতে শ্ৰীমন্ত শংকৰদেৱক আবদ্ধ কৰি থাকিলে ধৰ্মৰ বিকাশ নহয়। তদুপৰি, কেৱল সাত দিন সাত ৰাতি ধৰ্মচৰ্চা কৰি থাকিলেও তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মৰ বিকাশ নহ'ব। জনাসকলে কম সংখ্যক লোকক লৈ তেওঁ ৰচনা কৰি থৈ যোৱা শ্লোক, কাহিনীবোৰ সহজ-সৰল ভাষাত বুজিব পৰাকৈ ঘনে-ঘনে ব্যাখ্যা কৰি থাকিব লাগিব। ধন দি ধৰ্ম ক্ৰয় কৰিব নোৱাৰি। ধৰি থকাটোৱেই ধৰ্ম। ধৰ্ম কৰা সকলে একান্ত চিন্তে ধৰ্ম কৰিব লাগিব। কেৱল পদবী লৈ ধৰ্মচৰ্চা কৰি থাকিলে কেতিয়াও বিকাশ নহ'ব। একোখন ৫০ জনীয়া সমিতি লৈ অসম তথা উত্তৰ পূৰ্বাঞ্চলত ধৰ্মৰ বিকাশ কৰিব বিচাৰিলেও সফল নহ'ব। শ্ৰীকৃষ্ণ, শ্ৰীমন্ত শংকৰদেৱ মানৱ ৰূপেই এই পৃথিৱীত জন্ম গ্ৰহণ কৰিছিল। তেওঁলোকে কৰ্মৰ যোগেদি কৰি থৈ যোৱা কামবোৰৰ বাবেহে আজিও তেওঁলোকক স্মৰণ কৰে। গতিকে, তেনে লোকৰ প্ৰয়োজনীয়তা আহি পৰিছে। সমগ্ৰ বিশ্বতে হিন্দু ধৰ্ম প্ৰথম প্ৰৱৰ্তন হৈছিল। মানুহ জ্ঞানী হোৱাৰ পাছৰে পৰাই ধৰ্মৰ সৃষ্টি হ'ল। বেদৰ জ্ঞান সমগ্ৰ পৃথিৱীয়ে গ্ৰহণ কৰিছে। সকলো ধৰ্মৰে সৃষ্টিৰ আৰম্ভণিৰ লগত অসমখন পৌৰাণিক কালৰে পৰাই জড়িত হৈ আছে। অসম ভূমিৰ লগত ধৰ্মৰ সম্পৰ্ক অতি প্ৰাচীন। বিষয়বাব ল'বলৈ সকলোৱেই আশা কৰে। গতিকে, ধৰ্ম প্ৰচাৰৰ বাবে সকলোৱেই বিষয়বাবৰ পৰিৱৰ্তে নিঃস্বাৰ্থভাৱে একান্ত চিত্তে শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰি থৈ যোৱা ধৰ্ম প্ৰচাৰ কৰিলেহে সফলতা পোৱা যাব। কিন্তু মনত অহংকাৰ ভাৱ ৰাখিব নালাগিব। অহংকাৰ হ'লেই পতন হ'ব। বাঞ্চিত লক্ষ্যত উপনীত হ'ব পৰা নাযাব। বাহ্যিকতা-মনোৰঞ্জনত যিমান ধন ব্যয় কৰা হয় ধৰ্মত কিন্তু সিমান ধন ব্যয় কৰা নহয়। দহ-পাঁচ টকা দি ঈশ্বৰক সেৱা কৰি ধৰ্ম ক্ৰয় কৰিবলৈ গ'লে ধৰ্ম নহয়, অধিক ধন ব্যয় কৰিব লাগিব। বাসগৃহ সুন্দৰ হ'লেই নহ'ব, ধৰ্মানুষ্ঠানবোৰো সৰ্বাংগ সুন্দৰ হ'ব লাগিব। বৰ্তমান সময়ত দেখি থকা কামবোৰ উদাহৰণসহ ব্যাখ্যা কৰি অধ্যক্ষজনে ৰসালভাৱে কোৱা কথাবোৰে বৌদ্ধিকসকলক চিন্তিত কৰি তোলাৰ লগতে অন্যসকলৰ মুখত হাঁহি বিৰিঙায়। শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা শ্লোকেৰে আৰম্ভ কৰা আৰু আন এটা শ্লোকেৰে আৰম্ভ কৰা অধ্যক্ষগৰাকীৰ ভাষণ শুনিবলৈ অসংখ্য লোক মূল মঞ্চত আসন গ্ৰহণ কৰাৰ লগতে চৌপাশত থিয় হোৱাৰ উপৰি জাউৰিয়ে জাউৰিয়ে হাত চাপৰি বজাই বক্তাগৰাকীকো উৎসাহিত কৰি তোলে শ্ৰোতাসকলে। শিল্পীসকলে দলীয়ভাৱে বৰগীত পৰিৱেশন কৰি আৰম্ভ কৰা মুকলি সভাখন প্ৰাক্তন পদাধিকাৰ কমলাকান্ত গগৈয়ে উদ্বোধন কৰে। জগত চন্দ্ৰ বণিয়াই নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়োৱা মুকলি সভাখনত বিশেষ সন্মানীয় অতিথিৰূপে নবনিৰ্বাচিত উপ পদাধিকাৰ চন্দ্ৰ হাজৰিকাই, নিৰ্দিষ্ট বক্তাৰূপে জগত বণিয়াই, বিশিষ্ট অতিথিৰূপে প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, সংঘৰ বিষয়ববীয়া ডক্টৰ মৃণাল কুমাৰ বৰুৱা, খুমতাইৰ বিধায়ক মৃণাল শইকীয়া, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ভাষণ আগবঢ়ায়।

■ শিবিৰ নিৰ্মাণকাৰীক পুৰস্কাৰঃ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনস্থলীলৈ অহা কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, জিলাসমূহৰ, আঞ্চলিকসমূহৰ, শাখাসমূহৰ ভকত-বৈষ্ণৱ, সংগী আইসকলক চাৰিওদিন ৰাখিবৰ বাবে ২০০ টা শিবিৰ বৃহৎ আকাৰত নিৰ্মাণ কৰিবলৈ যোৰহাট জিলাৰ প্ৰতিখন আঞ্চলিক আৰু প্ৰাথমিকক দায়িত্ব দিয়া হৈছিল। ২০২৪ চনৰ ২১ এপ্ৰিলত পশ্চিম যোৰহাটৰ স্বৰ্গদেউ চাওলুং ছুকাফা সমন্বয় ক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজহুৱা সভাত আদৰণী সমিতি গঠনৰ পাছতে ২০২৪ বৰ্ষৰে ২৭ নৱেম্বৰত ম'হবন্ধাৰ এৰালতলি পথাৰত ৰাষ্ট্ৰীয় পথৰ কাষত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰ নামৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰতিবছৰে অধিৱেশন অনুষ্ঠিত কৰিবলৈ ধাৰ্য কৰি লোৱা ৬-৯ ফেব্ৰুৱাৰী ২০২৫ ত ব্যাপক প্ৰস্তুতি চলায়। আদৰণী সমিতিয়ে অধিৱেশন সফল ৰূপায়ণৰ বাবে ৩৮ খন উপ-সমিতি গঠনৰ লগতে ৬০০ ৰো অধিক পৃষ্ঠাৰ 'বৈকুণ্ঠ কুসুম' নামৰ অসমীয়া, ইংৰাজী, হিন্দী আৰু বড়ো ভাষাত স্মৃতিগ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা কৰে। তাৰভিতৰৰে ২০০ টা শিবিৰ নিজাকৈ বাঁহ, নৰা আদি সংগ্ৰহ কৰি নিৰ্মাণৰ পৰিকল্পনাৰে আঞ্চলিক আৰু শাখাসমূহৰ সংগীসকলক শ্ৰম দানেৰে কৰিবলৈ আহ্বান জনায়। সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই যোৰহাট জিলাৰ স্বীকৃতিপ্ৰাপ্ত ৩৬ খন আঞ্চলিকৰ লগতে প্ৰাথমিকসমূহে ১৫৯ টা শিবিৰ নিৰ্মাণ কৰি উলিয়ায়। সেই শিবিৰ নিৰ্মাণৰ ক্ষেত্ৰত পুৰস্কৃত কৰা হ'ব বুলিও আদৰণি সমিতিয়ে ঘোষণা কৰিছিল। তাৰ ফলাফল মুকলি সভাতে আদৰণী সমিতিৰ সভাপতি নবীনচন্দ্ৰ বৰাই ঘোষণা কৰে। সেই অনুসৰি নকছাৰি আঞ্চলিক শাখাই শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম পুৰস্কাৰ লাভ কৰে উত্তৰ-পশ্চিম যোৰহাটে (শিবিৰ নং ১৮), দ্বিতীয় পুৰস্কাৰ লাভ কৰে যুটীয়াভাৱে নকছাৰি (শিবিৰ নং ৮), ৰমাকান্ত আতৈ (শিবিৰ নং ১৩), তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে পশ্চিম যোৰহাটে (শিবিৰ নং ৭৯), চেলেংহাট (শিবিৰ নং ০৩)। বিজেতাসকলক পৰৱৰ্তী সময়ত আদৰণি সমিতিয়ে পুৰস্কাৰ প্ৰদান কৰিব।

■ সেৱা বাহিনীৰ পুৰস্কাৰঃ অধিৱেশনত অংশগ্ৰহণ কৰা সেৱা বাহিনীৰ সৈতে জড়িতসকলক অধিৱেশনস্থলীত সংঘই পুৰস্কাৰ প্ৰদান কৰি আহিছে। সেই অনুসৰি সদ্যসমাপ্ত যোৰহাট অধিৱেশনত চৰাইদেউ জিলাই প্ৰথম, লখিমপুৰ জিলাই দ্বিতীয়, কাৰ্বি আংলং জিলাই তৃতীয়, বোকাখাত জিলাই চতুৰ্থ আৰু তিনিচুকীয়া জিলাই পঞ্চম স্থান অধিকাৰ কৰা বুলি ঘোষণা কৰাৰ লগতে মুকলি সভাস্থলীতে সেৱা বাহিনীৰ সৈতে জড়িতসকলক উপস্থিত কৰাই পুৰস্কাৰ প্ৰদান কৰে। এই বঁটাত আছে গামোচা, ফুলাম জাপি, শৰাই আৰু নগদ ধন। ৯৪ সংখ্যক অধিৱেশনখন শৃংখলিতভাৱে, সফলভাৱে, আকৰ্ষণীয়কৈ অনুষ্ঠিত কৰাৰ বাবে যোৰহাট জিলা শাখাত বিশেষ পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখ্য, এই পুৰস্কাৰসমূহ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিয়ে মুকলি সভাত আনুষ্ঠানিকভাৱে প্ৰদান কৰিছে যদিও এই পুৰস্কাৰৰ ধন আৰু সামগ্ৰী সংঘৰ স্বীকৃতিপ্ৰাপ্ত ভালেকেইখন জিলাৰ একোগৰাকীকৈ সংগীয়ে স্বেচ্ছাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিলৈ আগবঢ়াইছিল।

■ চিকিৎসা ব্যৱস্থাঃ অধিৱেশনৰ প্ৰথম দুদিনত বতৰ গোমা হোৱাৰ লগতে দুই-এটোপাল বৰষুণ পৰিছিল যদিও পাছৰ দুদিনত বতৰ ফৰকাল হোৱাৰ বাৰশ বিঘা ভূমিৰ এলেকাৰ লগতে চৌপাশ ধূলিময় হৈ পৰে। তদুপৰি, অগণন লোক অধিৱেশনস্থলীত উপস্থিত হোৱাত বহুসংখ্যক লোক অসুস্থ হৈ পৰে। যোৰহাটৰ যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ে অধিৱেশনস্থলীত প্ৰতিষ্ঠা কৰা চিকিৎসা শিবিৰ ২৪ ঘণ্টাই খোলা ৰাখিবলগীয়া হয়। ১৫ গৰাকী চিকিৎসক, ১৬ গৰাকী চি এইছ অ', ২০ গৰাকী এম পি ডব্লিউ, ১০ গৰাকী এ এন এম-ৰ লগতে ঢেঁকৰগঢ়া আৰু বাঘচোং খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক, চিকিৎসাকৰ্মীসকলৰ লগতে আশাকৰ্মীসকলে ৩ টা দল হৈ ২৪ ঘণ্টাই সেৱা আগবঢ়াবলগীয়া হয়। তদুপৰি, ১০৮ ভালেকেইখন অধিৱেশনস্থলীলৈ আনিবলগীয়া হয়। অধিৱেশনৰ কেইদিনত তিনি হেজাৰ আঠশ ঊনচল্লিছ গৰাকীক পঞ্জীয়ন কৰি চিকিৎসা কৰাৰ লগতে ইয়াৰে ১৫ গৰাকীক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হয়। তদুপৰি, ৬ হেজাৰৰো অধিক লোকক বিনামূলীয়াকৈ ঔষধ দিয়ে চিকিৎসক আৰু চিকিৎসাকৰ্মীসকলে।

# হোজাই জিলা সাহিত্য সভাৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, মোৰাঝাৰ, ৯ ফেব্ৰুৱাৰীঃ** আজি নীলবাগানত হোজাই জিলা সাহিত্য সভাৰ তৃতীয় দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। হোজাই জিলা সাহিত্য সভাৰ সভাপতি ডঃ ইন্দ্ৰজিৎ বেজবৰুৱাই পতাকা উত্তোলনৰে আৰম্ভ কৰা অধিৱেশনত ছাত্ৰ-ছাত্ৰীৰ মাজত বৌদ্ধিক প্ৰতিযোগিতা, প্ৰতিনিধি সভা হৈ যায়। দুপৰীয়া ডঃ ইন্দ্ৰজিৎ বেজবৰুৱাৰ সভাপতিত্বত অনষ্ঠিত মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত উপ-সভাপতি পদুম ৰাজখোৱা । ডঃ গুনেশ্বৰ শইকীয়াই উদ্বোধন কৰা সভাখনত হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহম্মদ বৰভূঞা, নৱ নিৰ্বাচিত সভাপতি পদ্মকান্ত বৰা উপস্থিত থাকে। এট সভাতে হোজাই জিলা সাহিত্য সভাৰ পত্ৰিকা "হোজাইছা" কে ধৰি আন দহখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাত অসমীয়া জাতিৰ আঠশ বছৰীয়া ঐতিহাসিক পৰিক্ৰমা ১২২৮-২০২৮ উদযাপন কৰা, অসমীয়া বিশ্বকোষ 'ডিজিটাইজ" কৰাকে ধৰি এলানি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত ডঃ গুণেশ্বৰ শইকীয়াক জীৱন যোৰা সাহিত্য সাধনা বঁটা, শ্ৰীযুত অৰুণ বৰাক কপিলী যমুনা উপত্যকা সাহিত্য বঁটা, ছিৰাজ তালুকদাৰক সাহিত্য সৌৰভ বঁটা, মস্তাক আহমেদ চৌধুৰীক ভাষা সাহিত্য প্ৰেৰণা বঁটা প্ৰদান কৰাৰ উপৰিও আৰু কেইবাজনক বটাঁ প্ৰদান কৰা কৰা হয়। সভাত নৱ নিৰ্বাচিত সভাপতি পদ্মকান্ত বৰা, উপ-সভাপতি আইনুল হক চৌধুৰী, সম্পাদক অচ্যুত ঠাকুৰীয়া আদি উপস্থিত থাকে। এই সভাতেই কাকী শাখা সাহিত্য সভাক অসম সাহিত্য সভাই প্ৰদান কৰা বিশেষ শাখা বঁটা আৰু আকাশ পত্ৰিকা বঁটাও অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই প্ৰদান কৰে। হোজাই জিলা সাহিত্য সভাৰ পত্ৰিকা "হোজাইছা" ৰ প্ৰকাশন দাঁতা প্ৰয়াত সু-চিকিৎসক মানৱ দৰদী ডাঃ আব্দুল ওৱাৰিছৰ পৰিয়াল বৰ্গক বিশেষ কৃতজ্ঞতা জনোৱা হয়। হোজাই জিলা সাহিত্য সভাৰ সম্পাদক বিৰাজ কুমাৰ বৰাই আঁত ধৰা সভাখনত হোজাই জিলাৰ শতাধিক সাহিত্যসেৱী আৰু নীলবাগানৰ বহু ৰাইজ উপস্থিত থাকে। হোজাই জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক শিদ্ধাৰ্থ শংকৰ বেজবৰুৱাৰ সম্পাদনাত হোজাই জিলা সাহিত্য সভাৰ পত্ৰিকা "হেজাইছা" উন্মোচন হোৱাৰ লগতে আৰু ৯ গৰাকী সাহিত্যিকৰ গ্ৰন্থও উন্মোচন কৰা হয়। উন্মোচন হোৱা গ্ৰন্থসমূহ ক্ৰমে শ্বাহনেৱাজ লস্কৰৰ "মানৱতাৰ বিপৰ্যয়", শশীপ্ৰভা শইকীয়াৰ "জ্ঞানাঙ্কুৰ", ছিৰাজ তালুকদাৰৰ দুখন গ্ৰন্থ "জীৱনৰ সুগন্ধি ঢৌ" আৰু "অনুভৱৰ পৃষ্ঠা", অনিমা বৰুৱাৰ "সূৰ্যস্নাতা পৃথিৱীৰ ৰং", অজন্তা তামুলী ফুকনৰ "ৰ'দৰ খিৰিকী", অৰুণ বৰাৰ "ককাৰ চোতালৰ সাধু", আইনুল হক চৌধুৰীৰ "শিশুৰ সফলতাৰ সোপান", কামাখ্যা প্ৰসাদ হাজৰিকাৰ "সেউজীয়া পথাৰ প্ৰেমৰ ঠিকনা" আৰু ৰফিক উদ্দিনৰ "মই গাম মানুহৰ গান"। সভাত সমাজহিতৈষী সকলক আদৰণি সমিতিৰ হৈ বাচিত আলম চৌধুৰী, ৰায়হান আহমেদ চৌধুৰী আৰু ছাদিকুজ জামানে কৃতজ্ঞতা জনায়।

# জাগীৰোডত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, জাগীৰোড, ৯ ফেব্ৰুৱাৰীঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি দেওবাৰে দিনযোৰা কাৰ্যসূচীৰে জাগীৰোডৰ বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত অনুষ্ঠিত হয়। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন অসমৰ বিভিন্ন জিলা সমিতিৰ সভাপতি, সম্পাদকৰ লগতে প্ৰতিনিধি সকলে অংশগ্ৰহণ কৰে। উক্ত কাৰ্যনিৰ্বাহক সভাত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ আগন্তুক ষষ্ঠদশ দ্বি বাৰ্ষিক ৰঙিয়া অধিৱেশনৰ বাজেট গ্ৰহণ আৰু আগন্তুক মণিৰাম দেৱান দিৱস সম্পৰ্কে বিশদভাৱে আলোচনা কৰাৰ লগতে সাংগঠনিক দিশতো আলোচনা কৰে। সভাত কলিতাসকলৰ জনজাতিকৰণ আৰু ভূমি অধিকাৰ সন্দৰ্ভতো আলোচনা কৰে। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে সভাপতিত্ব কৰা সভাখনত মৰিগাঁও জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড° হৰমোহন কলিতাক সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম আলপাইন জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক নয়ন কলিতাই আঁত ধৰা সভাখনত আগন্তুক বৰ্ষৰ বাবে কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰে।

# গোলকগঞ্জত ৰে'লৰ খুন্দা, বিদ্যুৎস্পৃষ্ট হৈ ২জনৰ মৃত্যু

**ই-সংবাদ, গোলকগঞ্জ, ৯ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত জিকে ৰোডৰ উৰণ সেঁতুৰ সমীপত যোৱা নিশা সাত বজাত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন মইচা দ্বিতীয় খণ্ড (ঘাটপাৰৰ) গাঁৱৰ আজিজুৰ ৰহমান সৰকাৰ (৫৬)। জানিব পৰা মতে সৰকাৰে আন কেইজন মান বন্ধুৰ লগত ৰেল লাইনৰ কাষত আড্ডা মাৰি আছিল। সেই সময়তে তীব্ৰ বেগত পাৰ হৈ যায় পশ্চিমবংগৰ আলিপুৰ বঙাইগাঁও ডেমো ৰেল খন। ৰেলত খুন্দা লাগি সৰকাৰ পথৰ কাষত ছিটিকি পৰে। ফলত থিতাতে তেঁওৰ মৃত্যু হয়। খবৰ পাই তৎক্ষণাত আগমনি আৰক্ষী ঘটনাস্থলীত হয়। ইপিনে গোলকগঞ্জ ৰেল আৰক্ষীক খবৰ কৰাত ৰেল আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি আজি পুৱা মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে। ইফালে, জিলাখনৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত লক্ষীমাৰী তৃতীয় খণ্ড গাঁৱত নিশা বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকৰ মৃত্যু হোৱা ঘটনাত অঞ্চলটোত গভীৰ শোঁকৰ ছাঁ পৰিছে। মৃত যুৱকজন মনভোলা সৰকাৰৰ পুত্ৰ কৰুণা কান্ত সৰকাৰ (৩২)। জানিব পৰা মতে, কৰুণাই মাজ নিশা বৰো ধানৰ খেতিত পানী দিবলৈ গৈছিল। পানী সিঞ্চন কৰা বৈদ্যুতিক মটৰত খুটিত হুক লগাই বিদ্যুত সংযোগ কৰিবলৈ ধৰোতে বিদ্যুৎস্পৃষ্ট হয়। আজি পুৱা প্ৰাত:ভ্ৰমণত ওলোৱা ৰাইজে খুটিৰ ওচৰত তাঁৰ সহ মৃতদেহ প্ৰত্যক্ষ কৰাত হুৱাদুৱা লাগে। স্থানীয় ৰাইজে গোলকগঞ্জ থানাত খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে। দুজনকৈ লোকৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বেতবাৰীৰ শুকানপুখুৰীত দ্বি-বাৰ্ষিক মহাপালনামৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, শিৱসাগৰ, ৯ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ বেতবাৰীৰ শুকানপুখুৰী হাইস্কুলৰ সমীপৰ পথাৰত অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰা হ'ব দ্বি-বাৰ্ষিক মাহাপালনাম। সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজ আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত কৰিবলগীয়া মহাপালনামৰ লগত সংগতি ৰাখি আজি নৱ বৈষ্ণৱ ধৰ্মৰ ৰীতি নীতি অনুসৰি স্থাপন কৰা লাইখুটা। এই উপলক্ষ্যে পুৱাৰে পৰা সংশ্লিষ্ট স্থানত সমবেত হয়হি সহস্ৰাধিক ৰাইজ। হৰি নাম ধ্বনিৰে মুখৰিত হৈ পৰে শিৱসাগৰ বেতবাৰীৰ শুকানপুখুৰী। গায়ন-বায়ন, ভকত বৈষ্ণৱৰ মংগল ধ্বনি তথা নাম প্ৰসংগ, সহস্ৰাধিক আয়তীৰ উৰুলিৰে দ্বিতীয় বৈকুণ্ঠ ধামলৈ পৰ্যবসিত হয় শুকান পুখুৰী হাইস্কুলৰ সন্মুখ। এনে আধ্যাত্মিক পৰিৱেশৰ মাজতে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননীগোপাল দেৱ গোস্বামীসহ কেইবাগৰাকী ভকত বৈষ্ণৱে কান্ধত তুলি নিয়ে লাইখুটা। কেইবা শতাধিক আয়তী তথা মহিলাই হাতে হাতে কাঁহৰ কাহীত প্ৰজ্বলিত মাটিৰ চাকি-বন্তি লৈ আদৰি জনায়। তাৰ পিছতে কান্ধত তুলি নিয়া লাইখুটা পৰম্পৰাগত ৰীতি নীতিৰে স্থাপন কৰে সত্ৰাধিকাৰ ননী গোপাল দেৱ গোস্বামীয়ে। সহযোগ কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাই, শ্ৰীশ্ৰী পূণিয়া সত্ৰৰ ডেকা সত্ৰাধিকাৰ নীলমণি দেৱ গোস্বামীসহ বহু সংখ্যক গণ্য-মান্য ব্যক্তিয়ে। লাইখুঁটা স্থাপন কৰি শ্ৰীশ্ৰী ননী গোপাল দেৱ গোস্বামীয়ে কয়, "কৃষ্ণ নাম মধুৰতকৈ মধুৰ। হৰি নাম বা কৃষ্ণ নামে মানুহক প্ৰকৃত মানুহ কৰি ৰখাত সহায় কৰে। হৰি নামে আমাৰ মনত অপাৰ শক্তি দিয়ে।" ইয়াৰ উপৰি ভকতেই শ্ৰেষ্ঠ , ভকতেই ঈশ্বৰ বুলি দোহাৰে সত্ৰাধিকাৰ গৰাকীয়ে। তেওঁ ভাগৱতৰ শ্লোক আওৰাই আগন্তুক মহাপালনাম সুকলমে যাতে অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে এক আধ্যাত্মিক পৰিৱেশ গঢ়ি তোলাত সফল হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকি ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাইয়ে নাম প্ৰসংগত অংশ লোৱাৰ উপৰিও লাইখুটা স্থাপন কৰি জীৱ জগতৰ কল্যান কামনাৰে অনুষ্ঠিত কৰিবলগীয়া মহাপালনাম সুকলমে সম্পন্ন কৰিবলৈ আন্তৰিকতাৰে সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। লক্ষ্যণীয় যে লাইখুটা স্থাপনৰ আগেয়ে পুৱাৰে পৰা নাম প্ৰসংগ কৰে বহু সংখ্যক ভকতে। লাইখুটা স্থাপনৰ পূৰ্বে শুকানপুখুৰীৰ উক্ত স্থানতে ৫০ খনৰো অধিক পতাকা তথা ধৰ্মধ্বজা উত্তোলন কৰা হয়।

## মহিলা মানসিক ৰোগী পুনৰ সংস্থাপন কেন্দ্ৰৰ আধাৰশিলা স্থাপন

# নাজিৰাৰ গেলেকীত ৰাজ্য সভাৰ সাংসদ অজিত কুমাৰ ভূঞা




**ই-সংবাদ, গেলেকী, ৯ ফেব্ৰুৱাৰীঃ** গেলেকীত ৰাজ্য সভাৰ সাংসদ তথা বিশিষ্ট চিন্তাবিদ, প্ৰবীণ সাংবাদিক অজিত কুমাৰ ভূঞা উপস্থিত হৈ গেলেকী হাতীপটিস্থিত মহিলা আৰু মানসিক ৰোগী পুনৰ সংস্থাপন কেন্দ্ৰৰ এটি পুনৰ সংস্থাপন গৃহৰ আধাৰশিলা স্থাপন কৰে। সাংসদ অজিত কুমাৰ ভূঞাৰ সাংসদ উন্নয়ন পুঁজিৰ পৰা আগবঢ়োৱা ১০ লাখ টকাৰ আৰ্থিক সাহাৰ্যৰে নিৰ্মাণ কৰিব লোৱা গৃহটিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি এখন সভাৰ আয়োজন কৰা হয়। সভাত সভাপতিত্ব কৰে জ্যেষ্ঠ অধিবক্তা তথা হিউমেন ৱেলফেয়াৰ চছাইটিৰ সভাপতি মহেন্দ্ৰ ভূঞাই। সভাত কেন্দ্ৰটিৰ পৰিচালন সঞ্চালক নাচেৰ খানে উদ্দেশ্য ব্যাখ্যা কৰে। অধ্যাপক জিতেন ফুকনে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আধাৰশিলা স্থাপন কৰি সাংসদ অজিত কুমাৰ ভূঞাই বক্তব্য প্ৰদান কৰে।

# পলাশবাৰীৰ তিনিআলি ৰে'ল ষ্টেচনত আয়কৰ বিভাগৰ অভিযান

**ই-সংবাদ, মিৰ্জা, ৯ ফেব্ৰুৱাৰীঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মিৰ্জাৰ মণিয়েৰী তিনিআলি ৰেল ষ্টেচনত যোৱা ৮ ফেব্ৰুৱাৰীত ৰাজ্যিক জিএছটি বিভাগে এক অভিযান চলাই নথি-পত্ৰবিহীন এখন মালভৰ্তি ৰেল আৰু কেইবাখনো ট্ৰাকসহ এগৰাকী ট্ৰাক চালকক আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ গুটখা, চুপাৰি, বৈদ্যুতিক সা-সামগ্ৰীকে ধৰি বহু সামগ্ৰী জব্দ কৰে। এনে ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। এক গোপন সূত্ৰে, ৰাজ্যিক জিএছটি বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে আজি এখন মালবাহী ৰেলসহ কেইবাখনো ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। খবৰমতে, কোনো বৃহৎ পুঁজিপতি মালিকপক্ষই বহিঃৰাজ্যৰ পৰা জিএছটি ফাঁকি দি এখন ৰেলেৰে এই বৃহৎ পৰিমাণৰ সা-সামগ্ৰীখানি পলাশবাৰী আৰক্ষী থানাৰ মিৰ্জাৰ সমীপৰ মণিয়েৰী তিনিআলিৰ ৰেল ষ্টেচনলৈ আনে। এই সামগ্ৰীবোৰ এই ষ্টেচনত নমাই ট্ৰাকেৰে অসমৰ বিভিন্ন প্ৰান্তৰ ব্যৱসায়ীক ক্ষেত্ৰলৈ প্ৰেৰণ কৰাৰ কথা আছিল। কিন্তু আয়কৰ বিভাগে এই খবৰ লাভ কৰি মিৰ্জাৰ এই ষ্টেচনত উপস্থিত হৈ এই বৃহৎ পৰিমাণৰ সামগ্ৰী জব্দ কৰে। গোপন সূত্ৰৰ পৰা আয়কৰ বিভাগে এই খবৰ লাভ কৰি অভিযান চলোৱাৰ সময়তে একাংশ ট্ৰাক চালক পলাই পত্ৰং দিয়ে। অঞ্চলটোত এই খবৰ বিয়পি পৰাত লগতে আৰক্ষীৰ লোক উপস্থিত হৈ অভিযান চলায়। একাংশ লোকে এই ঘটনা দূৰৰ পৰাই প্ৰত্যক্ষ কৰাৰ লগতে নিৰাপদ দূৰত্বত অৱস্থান কৰে। ইতিমধ্যে অধিক তথ্যৰ বাবে আয়কৰ বিভাগে বৰ্তমানেও অভিযান অব্যাহত ৰাখিছে। এই সামগ্ৰী সমূহ গুৱাহাটীৰ আয়কৰ বিভাগৰ কাৰ্যালয়লৈ আনি এক পৰীক্ষা-নিৰিক্ষা কৰা হ'ব বুলি জানিব পৰা গৈছে। এই ঘটনাত বিজেপি বিধায়ক হেমাংগ ঠাকুৰীয়াকে ধৰি দুই এজন বিজেপি নেতাৰ একাংশ সাংগো-পাংগো জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰে একাংশ লোকে। উল্লেখ্য যে, আৰক্ষী প্ৰশাসনক মেনেজ কৰি এই তিনিআলি ৰেল ষ্টেচনত দীৰ্ঘদিনৰ পৰা একাংশ লোকে কয়লাকে ধৰি বিভিন্ন ছিণ্ডিকেট চলাই আহিছে। এনে ছিণ্ডিকেট চক্ৰই হাতত চোকা অস্ত্ৰ ৰাখি অহাৰ অভিযোগ উত্থাপন হৈছে। আয়কৰ বিভাগে কি হিচাপে তদন্ত চলাব সেয়া লক্ষণীয় হ'ব।

# আজি ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস

**নগাঁও, ৯ ফেব্ৰুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া দলংঘাটৰ বৰমণিপুৰস্থিত ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি কাইলৈ অৰ্থাৎ ১০ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক জাকিৰ হুছেইনৰ দ্বাৰা প্ৰকাশিত পত্ৰ অনুসৰি, কাইলৈ বাহিনীটোৰ মুখ্য কাৰ্যালয় চৌহদত আয়োজিত কাৰ্যসূচীসমূহৰ ভিতৰত আছে শ্বহীদ তৰ্পণ, পেৰেড, মুখ্য অতিথিৰ পেৰেড পৰিদৰ্শন, ইউনিট পতাকা উত্তোলন, মাৰ্চ পাষ্ট, সাংস্কৃতিক অনুষ্ঠান, বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন-আলোকসজ্জাৰ অনুষ্ঠান আৰু সাংস্কৃতিক নিশা আদি। প্ৰতিষ্ঠা দিৱস উপলক্ষে শনিবাৰে আৰক্ষী বাহিনীটোৰ জোৱান আৰু বিষয়া-কৰ্মচাৰীসকলৰ সহযোগত ভাতৃত্ববোধৰ বাণী আৰু ড্ৰাগছমুক্ত সমাজ গঢ়াৰ লক্ষ্যলৈ এক মটৰচাইকেল সমদলো উলিয়ায়।

# পশ্চিম দৰঙত জয়নাথ শৰ্মা-পৰমাৰ ৰাজনীতিৰ বতাহ!

**ই-সংবাদ, পশ্চিম দৰং, ৯ ফেব্ৰুৱাৰীঃ** আগন্তুক ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ প্ৰায় এটা বছৰ বাকী থকা সময়ত ছিপাঝাৰত আগতীয়াকৈ বলিব ধৰিছে ৰাজনীতিৰ বতাহ। নিৰ্বাচন বুলিলেই উত্তপ্ত হৈ পৰা ছিপাঝাৰত '২৬ ত অনুষ্ঠিতব্য বিধানসভা নিৰ্বাচনতো যে একেই পৰিৱেশ হ'ব তাক আগতীয়াকৈ অনুমান কৰিব পাৰি। ইতিমধ্যে সমষ্টিটোত ৰাজনৈতিকৰ মুখত ফুটা কুলি -কেতেকীৰ ৰাজনীতিৰ কথাই সকলোৰে আলোচ্য বিষয় হৈ পৰিছে। এইখিনিতে ক'ব পাৰি যে '২৬ ৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোত বিজেপিৰ মিত্ৰদল অগপই এইবাৰ ছিপাঝাৰৰ আসনখন তেওঁলোককৈ এৰি দিব লাগে বুলি দাবী হয়তো কৰিব পাৰে।যি লক্ষ্য আগত লৈ ছিপাঝাৰৰ পৰা চাৰিবাৰকৈ প্ৰতিনিধিত্ব কৰা অগপৰ ডঃ জয়নাথ শৰ্মা সমষ্টিটোত দলীয় সাংগঠনিক ভেটি শক্তিশালী কৰাত উঠি পৰি লাগি পৰিছে। কিন্তু সমষ্টিটোত বিজেপিৰ সাংগঠনিক দিশলৈ চাই ছিপাঝাৰৰ আসনখন মিত্ৰদলৰ প্ৰাৰ্থীলৈ বিজেপিয়ে এৰি দিব নে নিদিয়ে তাক লৈ সন্দেহ আছে। ইফালে দৰঙত থকা বিধানসভা সমষ্টিৰ '২৬ ৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে অগপ জয়ী হ'ব পৰা আসন এখন মিত্ৰজোঁটক এৰি দিব বুলি সৰৱ চৰ্চা হৈছে। এনে সন্ধিখনত ছিপাঝাৰেই অগপৰ বাবে হ'ব পাৰে জয়ী হ'ব পৰা সমষ্টি। ইফালে এনে সময়ত সমষ্টিটোত অগপৰ ডঃ জয়নাথ শৰ্মাই দিনে নিশাই ৰাইজৰ মাজত সোমাই মন্থন বৈঠক অনুষ্ঠিত কৰি দলীয় ভেটি শক্তিশালী কৰিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰখা পৰিলক্ষিত হৈছে। সকলোৰে লগত সু-চিনাকি সূত্ৰে ভবা মতে ৰাইজৰো আস্থা লাভ কৰাত যিয়ে নেতাজনক সাহস আৰু প্ৰেৰণা দান কৰা বুলি প্ৰকাশ। ইফালে ছিপাঝাৰত '২৬ ত অগপৰ ডঃ জয়নাথ শৰ্মাই প্ৰাৰ্থিত্ব লাভ কৰাৰ পূৰ্ণ আশা থকা বুলি বলা বতাহে সমষ্টিটোত চৌদিশে কোবাইছে। যিয়ে দলীয় নেতা কৰ্মী সকলৰ মনোবল বৃদ্ধি কৰি তুলিছে। ইয়াৰ বিপৰীতে ছিপাঝাৰৰ বৰ্তমানৰ বিজেপি বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়েও কিন্তু সদায়ে ৰাইজৰ মাজত থাকি উন্নয়নৰ কাম কাজ চলাই নি ৰাইজৰ আস্থা অটুট ৰখাৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। অৱশ্যে বিধায়ক গৰাকীৰ খাচ মানুহ বুলি চৰ্চিত কেইগৰাকীমান লোকৰ বাবে বহুতে বেয়া পাব ধৰা বুলি চৰ্চিত হৈছে। সম্প্ৰতি ছিপাঝাৰত পৰমা-জয়নাথৰ ৰাজনীতিৰ বতাহ বলি থকা বুলি ক'ব পাৰি যদিও এই বতাহ সময়ত কোন দিশে গতি কৰে তাক এতিয়াই ক'ব পৰা নাই।

# আহোম গাঁৱত সংযুক্ত বড়ো গণ মঞ্চৰ শপত গ্ৰহণ-দায়িত্ব অৰ্পণ

**ই-সংবাদ, ৯ ফেব্ৰুৱাৰীঃ** সংযুক্ত বড়ো গণ মঞ্চ চমুকৈ ইউবিপিঅৰ এখন বিশেষ সভা আজি গুৱাহাটীৰ আহোম গাঁৱৰ বড়ো সাহিত্য সভাৰ কালছাৰেল কমপ্লেক্সত অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে যোৱা ২৬ জানুৱাৰীত ধেমাজি জিলাৰ চিমেন চাপৰিত ইউবিপিঅৰ বিশেষ প্ৰতিনিধি সভাই নিৰ্বাচিত কৰা নৱগঠিত কাৰ্য্যনিৰ্বাহক সমিতিখনক আজি শপত গ্ৰহণ কৰোৱাই দায়িত্বভাৰ দিয়া হয়। ইউবিপিঅৰ সাধাৰণ সম্পাদক পীতাম্বৰ ব্ৰহ্মাই আঁত ধৰা সভাত ইউবিপিঅৰ নৱগঠিত কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতি মনোৰঞ্জন বসুমতাৰীক শপত বাক্য পাঠ কৰোৱাই ইউবিপিঅৰ উপদেষ্টা হৰেশ্বৰ নাৰ্জাৰীয়ে। ইয়াৰ পাছতে নৱনিৰ্বাচিত সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে আন বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰোৱায়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ইউবিপিঅৰ প্ৰতিষ্ঠাপক সভাপতি তথা বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মিহিনিশ্বৰ বসুমতাৰীয়ে কয় বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত বড়ো সকলৰ সাংবিধানিক অধিকাৰ প্ৰাপ্তিৰ লক্ষ্যত বড়োলেণ্ড আন্দোলনৰ সূচনা হৈছিল বুলি উল্লেখ কৰি বড়ো সকলৰ ভৱিষ্যতদ্ৰষ্টা বড়োফাই সোণকোষৰ পৰা শদিয়ালৈকে বড়োলেণ্ড আৰু দক্ষিণ পাৰৰ জনজাতি অধ্যুষিত অঞ্চলক সাঙুৰি নীলাচল দাবী জনোৱাৰ লগতে বড়ো সকলৰ ভাষা, শিক্ষা, সাংস্কৃতিক, ভূমিৰ অধিকাৰ, চাকৰি নিযুক্তি, উচ্চ শিক্ষা, কাৰিকৰী শিক্ষা আদি সকলো ক্ষেত্ৰতে জাতিৰ সুৰক্ষা, নিৰাপত্তা, স্বকীয়তা অটুট ৰখা,সমৃদ্ধিশালী আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰি সেই উদ্দেশ্যে আগত ৰাখি দাবী চনদ তৈয়াৰ কৰি চৰকাৰৰ ওচৰত সজোৰে দাবী জনাইছিল বুলি বক্তব্য ৰাখি বড়োফাৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দিবলৈ বৰ্তমানৰ বড়ো সমাজে জাতীয় চিন্তাৰে আগবাঢ়ি যাব লাগিব বুলি উনুকিয়াই বড়ো সকলে আন্দোলন নকৰাকৈ আজিৰলৈকে কোনো সুবিধা লাভ কৰি অহা নাই বুলি ক্ষোভ প্ৰকাশ কৰি পুনৰ কয় বড়ো সকলে গণতান্ত্ৰিক আন্দোলন কৰাৰ উপৰি সশস্ত্ৰ সংগ্ৰামৰ পথো ল'বলগা হৈ আহিছে বুলি উল্লেখ কৰি বড়ো সকলৰ মাজত থকা সকলো জাতীয় সংগঠনে একত্ৰিতভাৱে সঠিক চিন্তাৰে আগবাঢ়ি যাব লাগিব বুলি গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নিয়মীয়া বাৰ্তা কাকতৰ সম্পাদক নৰেন কলিতাই কয় বড়ো সকলে দশকৰ পৰাই প্ৰাপ্য অধিকাৰৰ বাবে আন্দোলনমুখী হৈ আহিছে আৰু বৰ্তমানে তৃতীয় বড়ো বড়ো শান্তি চুক্তিৰ জৰিয়তে বড়োলেণ্ডত শান্তি ঘূৰি আহিছে আৰু উন্নয়নৰ দুৱাৰ মুকলি হৈছে বুলি উল্লেখ কৰি বিটিআৰৰ বাহিৰৰ বড়ো সকলেও নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে দায়বদ্ধতাৰে ঐক্যবদ্ধ সংগ্ৰাম চলাই যোৱা উচিত বুলি বক্তব্য ৰাখি সাম্প্ৰতিক সময়ত বিদেশী প্ৰব্ৰজনকাৰীৰ কবলৰ পৰা খিলঞ্জীয়া, ভূমিপুত্ৰ সকলৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ হ'লে নিজৰ মাজত ঐক্যবদ্ধ চিন্তা আৰু জাতীয় দায়িত্ব পালন কৰিব লাগিব বুলি গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। দায়িত্বভাৰ গ্ৰহণ কৰি ইউবিপিঅৰ নৱনিৰ্বাচিত সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে কয় তৃতীয় বড়ো শান্তি চুক্তিৰ ৫.১ দফাৰ অধীনত অন্তৰ্বৰ্তীকালীন পৰ্যায়ত গঠন কৰা বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ(বিকেডব্লিউএচি)খনৰ গাওঁ চিনাক্তকৰণ,সমষ্টি নিৰ্ধাৰণ কৰি নিৰ্বাচন অনুষ্ঠিত কৰা, অন্তৰ্বৰ্তীকালীন বিকেডব্লিউএচিলৈ পুঁজি বৃদ্ধি কৰা, তৃতীয় বড়ো শান্তি চুক্তিৰ ৬.৩ দফা কাৰ্যকৰী কৰি বি টি এডিৰ বাহিৰৰ অমঞ্জুৰিপ্ৰাপ্ত বড়ো ভাষাৰ বিদ্যালয় আৰু মহাবিদ্যালয়বোৰক প্ৰয়োজন সাপেক্ষে মনঞ্জুৰীপ্ৰাপ্ত কৰা আৰু বি টি এডিৰ বাহিৰত থকা মহাবিদ্যালয় সমূহত বড়ো বিভাগৰ প্ৰবক্তা নিযুক্তি আদি বিষয় সমূহ পূৰণ কৰিবলৈ ইউবিপিঅৰ নৱগঠিত কাৰ্য্যনিৰ্বাহক, জিলা আৰু আঞ্চলিক সমিতি সমূহে অধিক দায়িত্ব পালন কৰিব লাগিব বুলি কয়।

# জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ মাজুলী জিলা সমিতিৰ সভা সম্পন্ন




**ই-সংবাদ বিশেষ, মাজুলী, ৯ ফেব্ৰুৱাৰীঃ** অসমৰ জাতি-জনগোষ্ঠী সমূহক একত্ৰিত কৰি নিজ নিজ কৃষ্টি-সংস্কৃতি, সমাজ-সাহিত্য, কৃষি-অৰ্থনৈতিক ক্ষেত্ৰত এক বিশেষ ৰূপেৰে আগবঢ়াই নিয়াৰ প্ৰয়াসেৰে গঠিত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ অন্যতম মাজুলী জিলা সমিতিৰ এখন বিশেষ সভা আজি মাজুলীৰ নতুন খলিহামাৰিস্থিত কাব্য কানন ভৱনত অনুষ্ঠিত হয়। জিলা সভাপতি ৰমেশ চন্দ্ৰ শইকীয়াই সভাপতিত্ব কৰা সভাখনত প্ৰতিষ্ঠাপক জিলা সভাপতি ভূপেন দত্ত, প্ৰাক্তন সভাপতি ৰূপজ্যোতি নাথ, শিক্ষাবিদ জীৱন শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। জিলা সম্পাদক শংকুসিদ্ধ নাথে সাংগঠনিক দিশত বক্তব্য প্ৰদান কৰি কয় যে প্ৰতিটো জাতি-জনগোষ্ঠীৰ ঐক্যবদ্ধ সন্মিলনেহে বৃহত্তৰ অসমীয়া জাতিটোৰ বিশ্বমুখী যাত্ৰাক অধিক ক্ষিপ্ৰতৰ কৰিব; সেই লক্ষ্য আগত ৰাখিয়েই জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চই বাট বুলিব লাগিব । জিলা কাৰ্যকৰী সভাপতি অনন্ত ভাটে, সমাজকৰ্মী ৰমেশ বৰুৱাই সাংগঠনিক দিশত বিস্তৃতভাৱে আলোকপাত কৰা সভাখনত অৰ্পিতা হাজৰিকা, বৃষ্টি বৰাৰ আধুনিক গীত, জিজ্ঞাসা বৰা আৰু মুনমী বৰাৰ সৃষ্টিশীল নৃত্য, সাহিত্য সম্পাদক তথা জনপ্ৰিয় কবি পাপু বৰাৰ কবিতা, জিতেন নাথে ৰাজীৱ শদিয়াৰ সোঁৱৰণত পৰিৱেশন কৰা স্বৰচিত সংগীতে সভাখনক অনন্য মাত্ৰা প্ৰদান কৰে। জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ কেন্দ্ৰীয় সম্পাদক প্ৰহ্লাদ মিলিয়ে মুখ্য অতিথি হিচাপে উপস্থিত থকা সভাখনত মাজুলীত কেইবাখনো আঞ্চলিক সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰি উজনি মাজুলীত পৰৱৰ্তী আঞ্চলিক সমিতি গঠন আৰু সভা আহ্বানৰ বাবে সমাজকৰ্মী ৰমেশ বৰুৱা, জীৱন শইকীয়া, দিলীপ কুটুম আৰু হেমচন্দ্ৰ পায়েঙক আহ্বায়ক হিচাপে দায়িত্ব অৰ্পণ কৰে। উক্ত সভাতেই ৰূপজ্যোতি নাথ আৰু পাপু বৰাক সাহিত্য বিভাগৰ কেন্দ্ৰীয় দায়িত্ব প্ৰদান কৰা হয়। সাহিত্য সম্পাদক পাপু বৰাই আঁত ধৰা সভাখনৰ শেষত শলাগৰ শৰাই জ্ঞাপন কৰে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ মাজুলী জিলা সমিতিৰ সম্পাদক শংকুসিদ্ধ নাথে। সভাপতিৰ সাৰুৱা মন্তব্যৰে সভাখনৰ সফল পৰিসমাপ্তি ঘটে।

# চতিয়া বিদ্যুৎ উপসংমণ্ডুলৰ গা এৰা মনোভাৱে মাতিব পাৰে ভয়ংকৰ বিপদ

**ই-সংবাদ, চতিয়া, ৯ ফেব্ৰুৱাৰীঃ** চতিয়া বিদ্যুৎ উপসংমণ্ডুলৰ দ্বায়িত্বহীনতাৰ বাবে এতিয়া যিকোনো সময়তে বিপদ ঘটিব পাৰে উপসংমণ্ডুলটোৰ অন্তৰ্গত পতিয়া গাঁও প্ৰাথমিক বিদ্যালয়ৰ সমীপত। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি পতিয়া গাঁও আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ চৌহদৰ একাধিক গছৰ দাল পাত বিশেষকৈ বতাহ বলাৰ লগে লগে বিদ্যালয়খনৰ সন্মুখেৰে পাৰ হৈ যোৱা উচ্ছ ক্ষমতা সম্পন্ন বৈদ্যুতিক তাঁৰত স্পৰ্শ হৈ বহু সময়ত জ্বলিউঠা স্থানীয় লোকে প্ৰত্যক্ষ কৰে। যিহেতু শিক্ষাৰ আদিপাঠ গ্ৰহণৰ বাবে বিদ্যালয় খনলৈ কণ কণ শিশু সকলৰ সমাগম ঘটে, সেয়ে অনাকাংক্ষিত এই বিপদৰ সন্মুখীন হোৱাৰ আশংকাতে অভিভাৱক সকল এতিয়া বিমোৰত পৰিছে। এফালে ছাত্ৰছাত্ৰী সকলৰ আগন্তুক বাৰ্ষিক পৰীক্ষাৰ বাবে শিক্ষাগ্ৰহণ নিতান্তই জৰুৰী আৰু আনফালে বিদ্যালয়ৰ সন্মুখত অনাকাংক্ষিতবিপদ। এই সমস্যাৰ কথা অনুধাৱন কৰি স্থানীয় একাংশ সচেতন মহলে উপসংমণ্ডুলটোত এই সমস্যাৰ কথা অৱগত কৰোৱাৰ উপৰিও এক লিখিত অভিযোগ দাখিল কৰিছিল যদিও অভিযোগ দাখিল কৰাৰ এসপ্তাহ হোৱাৰ পিচতো উপসংমণ্ডুলটোৰ কোনো বিষয়া কৰ্মচাৰীয়ে বিষয়টো গুৰুত্বসহকাৰে লোৱা পৰিলক্ষিত নহ'ল। আনহাতে উপসংমণ্ডুল বিষয়া গৰাকিক ব্যক্তিগতভাৱে ফোনকৰাৰ পিচতো বিষয়া গৰাকীয়ে সমস্যাটো আওকাণ কৰাত ক্ষোভিত হৈছে স্থনীয় ৰাইজ। গছকেইজোপাৰ দাল পাত কেইটা কাটিদিলেই উক্ত সমস্যাটো সহজে সমাধান ঘটা কাৰ্যটোকে কৰিদিবলৈ উপসংমণ্ডুটোৱে হেমাহী কৰাৰ আঁৰত কি ৰহস্য থাকিব পাৰে এতিয়া প্ৰশ্ন উদয় হৈছে স্থানীয় ৰাইজৰ মনত।

# বাঘমাৰাচৰ সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডুলীৰ শপত গ্ৰহণ

**ই-সংবাদ, নগৰবেৰা, ৯ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমিষ্টিৰ বাঘমাৰাত অৱস্থিত বাঘমাৰচৰ গাওঁ পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ নৱ নিৰ্বাচিত সঞ্চালক মণ্ডলী সকলোৰ শপত গ্ৰহণ অনুষ্ঠান আজি সমবায় সমিতিৰ অস্থায়ী কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। প্ৰাক্তন সভাপতি শুকুৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত নৱ-নিৰ্বাচিত সদস্য সকলক বাঘমাৰাচৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰে শপত বাক্য পাঠ কৰায়। নৱ নিৰ্বাচিত সদস্যসকলৰ লগতে উপস্থিত ৰাইজক পৰিচয় পৰ্ব কৰায় স্বাহানুৰ ৰহমানে। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত মছুৰ উদ্দিন আহমেদক সভাপতি, ৰফিকুল ইছলামক উপ সভাপতি বাকী ১২ জন নৱ নিৰ্বাচিত সদস্য সকলোকেও শপত বাক্য পাঠ কৰায়।আজিৰ শপত গ্ৰহণ অনুষ্ঠানত অৱসৰ প্ৰাপ্ত শিক্ষক জাফৰ আলী আহমেদ, অধ্যক্ষ খলিলুৰ ৰহমান, সাইজুদ্দিন ভূঞা, নবাগত শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আলতাফ হুছাইন, নবাগত শিমলীতোলা বজাৰ কমিটিৰ সভাপতি স্বাহজাহান আলী, আলহাজ জালাল মণ্ডল, প্ৰবক্তা জমসেৰ আলী আহমেদ, প্ৰাক্তন সভাপতি ফজল হক চৌধুৰী, প্ৰাক্তন সভানেত্ৰী আকলিমা খাতুন আৰু সম্পাদক ৰিপন আলী সৰকাৰসহ ভালে সংখ্যক লোক উপস্থিত থাকে।

# বালাজানত বন বিভাগৰ সহযোগত ব্যাপক হাৰত কৃষিভূমি খনন

**ই-সংবাদ, গোলকগঞ্জ, ৯ ফেব্ৰুৱাৰীঃ** ধুবুৰী বন সংমণ্ডল কাৰ্যালয়ৰ অধীনৰ মটেৰঝাৰ অঞ্চলত বন বিভাগৰ ছত্ৰছায়াত মাটিৰ ছিণ্ডিকেট চক্ৰই ইটা ভাটাত কৃষি ভূমিৰ মাটি যোগান ধৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, বালাজান অঞ্চলত প্ৰশাসনৰ জ্ঞাতসাৰে কাঠফুলাৰ দৰে গজি উঠিছে ইটা ভাটা। ভাটা সমূহত ইটা তৈয়াৰ কৰিবলৈ ব্যাপক হাৰত মাটিৰ প্ৰয়োজন। ইয়াৰ সুযোগ গ্ৰহণ কৰিছে মাটিৰ ছিণ্ডিকেট চক্ৰ। মাটিৰ কোনো ধৰণৰ বিভাগীয় কৰ পৰিশোধ নকৰি চক্ৰটোৱে ধুবুৰী বন সংমণ্ডল কাৰ্যালয়ৰ বিষয়াৰ লগত গোপন বুজাবুজি কৰি অবৈধ ভাবে মটেৰঝাৰৰ ওচৰ পাজৰৰ বৰুণডাঙা লটকা আদিকে ধৰি বিভিন্ন স্থানত কৃষি ভূমি খনন অব্যাহত ৰাখিছে। জনৈক মেহবুবৰ নেতৃত্বত মাটিৰ এই বৃহৎ ছিণ্ডিকেট চলাৰ অভিযোগ উত্থাপিত হৈছে। মেহবুবৰ চক্ৰটোৱে গাঁৱৰ কৃষক ৰাইজক ধনৰ লোভ দেখুৱাই কৃষি ভূমি খান্দি মাটি সমূহ ইটা ভাটাত যোগান ধৰি আহিছে। ফলত কৃষি ভূমি দ খালত পৰিণত হৈছে। ফলত খেতিৰ বাবে অনুপযোগী হৈ পৰে। উৰ্বৰ কৃষি ভূমি এনেকৈ ধ্বংস হৈ থাকিলে স্বয়ং ভূমি পুত্ৰই ভূমিহীন পৰাটো নিশ্চিত হৈ পৰিছে। এই সন্দৰ্ভত কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিয়ে জিলা আয়ুক্তক বহুবাৰ ওজৰ আপত্তি কৰি কোনো সুফল নোপোৱাত মুখ্যমন্ত্ৰীক শেহতীয়াকৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে। কৃষি ভূমি নষ্ট হোৱাৰ উপৰি ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যত অঞ্চলটোত দুৰ্ঘটনা বৃদ্ধি পোৱাৰো অভিযোগ উত্থাপিত হৈছে। ছাত্ৰ ছাত্ৰী তথা সাধাৰণ ৰাইজ পথত চলাচল কৰোতে চৰম সমস্যাৰ সন্মুখীন হৈছে। ঐতিহ্যপূৰ্ণ মটেৰঝাৰ মঠ মন্দিৰৰ কাষেৰে মাটি কঢ়িওৱা ডাম্পাৰ সমূহ দৌৰা দৌৰী কৰাত ধুলিৰ বাবে মঠৰ ক্ষতি সাধন হোৱাৰ আশংকা কৰিছে ৰাইজে। শীঘ্ৰে অবৈধ কৃষি ভূমি খনন বন্ধ কৰাৰ লগতে উচ্চ পৰ্যায়ৰ তদন্ত কৰি ইয়াৰ লগত জড়িত বন বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে উৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সাংগঠনিক কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, জাগীৰোড, ৯ ফেব্ৰুৱাৰীঃ** অসম আৰু অসমীয়াৰ জাতীয় জীৱনত বিভিন্ন সময়ত ভিন্ন কাৰণত আহি পৰা সংকটপূৰ্ণ সময়ত আপোচহীনভাৱে জাতীয় সংগ্ৰামখনক আগুৱাই নিয়াৰ লক্ষ্যৰে শনিবাৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হৈ যায়।পৰিষদৰ জাগীভকত গাঁওত আঞ্চলিক সমিতিৰ অন্তৰ্গত কুলৈ শাখা সমিতিৰ আতিথ্যত শিল্পী দিৱস উদ্‌যাপন খেল পথাৰত দিনযোৱা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানত পুৱা পতাকা উত্তোলন পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি মিৰ্জা আৰিফ আলমে। সম্পাদক মাধুৰ্য ময়ুৰ বৰাই শ্বহীদ তৰ্পন কৰা অনুষ্ঠানটি সতীৰ্থ স্মৰণ কৰে পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মমীন দাস আৰু মৰিগাঁও জিলা সমিতিৰ উপদেষ্টা ক্ৰমে জ্যোতিৰ্ময় গোস্বামী, ৰণ্টুমণি ডেকা,উৎপল বৰঠাকুৰ, মুকুল ডেকা আৰু ধ্ৰুৱণী ডেকাই। আনহাতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৱক্ষ মূৰ্ত্তিত মাল্যাৰ্পন কৰে বৰকুলৈৰ অৱসৰপ্ৰাপ্ত গাঁও প্ৰধান শুভ ডেকাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰে মৰিগাঁও জিলা সমিতিৰ আমন্ত্ৰিত অতিথিদ্বয় ঘনেন্দ্ৰ কুমাৰ নাথ আৰু ভাগ্য বৰাই। স্বনামধন্য শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আৱক্ষ মূৰ্ত্তিত মাল্যাপন কৰে বৰঝাৰীৰ বিশিষ্ট সমাজ সেৱক হেমচন্দ্ৰ ভৰালীয়ে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে জিলাৰ আমন্ত্ৰিত উপদেষ্টাদ্বয় দীপক কলিতা আৰু দিপাংকৰ পালে। ইয়াৰ পাছতে অৱসৰপ্ৰাপ্ত মুখ্য বন সংৰক্ষক প্ৰয়াত দূৰ্গাপ্ৰসাদ নেওগৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পন কৰে বিশিষ্ট সমাজ সেৱক উমেশ চন্দ্ৰ ডেকাই। অনুষ্ঠানত বিশিষ্ট অথিথি হিচাপে অংশ লয় আমন্ত্ৰিত উপদেষ্টা বসন্ত ডেকা আৰু গাঁও প্ৰধান খগেন মহন্তই। ইপিনে জিলা সভাপতি মিৰ্জা আৰিফ আলমে সঞ্চালনা কৰা সাংগঠনিক কৰ্মশালাখনি উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুতীয়া সম্পাদক ললিত চন্দ্ৰ পাচনীয়ে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সমল ব্যক্তি হিছাপে অংশ লয় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাতুল বৰগোঁহাই, পৰিষদৰ মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা আৰু প্ৰাক্তন ছাত্ৰ নেতা মুন ঠাকুৰীয়াই। আনহাতে নিশা সদ্য প্ৰয়াত গণ শিল্পী ৰাজীৱ শদিয়া সোঁৱৰণী মঞ্চত আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানটি উদ্বোধন কৰে বাঘজাপৰ বিশিষ্ট সমাজকৰ্মী শান্তনু হাজৰিকাই। তাৰ পূৰ্বে ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিক্ষক দেৱেশ্বৰ গোস্বামীয়ে। মঞ্চ উদ্বোধনী ভাষণত হাজৰিকাই অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লক্ষ্য উদ্দেশ্য সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়াই আৰু সংগঠনটোৱে লোৱা কাৰ্য পন্থাক আদৰণি জনোৱাৰ উপৰিও কেৱল ৰাজপথত আন্দোনৰ পোষকতা নকৰি উৎপাদনমুখী পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উদীয়মান কণ্ঠশিল্পী দীক্ষিতা ৰাজগুৰুৰৱ সুমধুৰ কণ্ঠই অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলে।

# ছাইন স্কুল অৱ লাৰ্ণিঙৰ ছাইন উৎসৱ ২০২৫ উদযাপন

**ই সংবাদ, বাইহাটা চাৰিআলি ৯ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ ইংৰাজী মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান ছাইন স্কুল অৱ লাৰ্ণিঙৰ বাৰ্ষিক সমাৰোহ "ছাইন উৎসৱ ২০২৫" যোৱা ৮ ফেব্ৰুৱাৰীত দিৱা-নৈশ কাৰ্যক্ৰমণিকাৰে উদযাপন কৰা হয়। প্ৰতিবছৰৰ দৰে এইবেলিও ছাইন উৎসৱৰ মুকলি মঞ্চত বিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰী সকলে বিভিন্ন ধৰণৰ নৃত্য-গীত-নাট আদি প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আমোদ দিয়ে । ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ প্ৰদৰ্শনেৰে মুখৰিত হৈ পৰা ছাইন স্কুল অৱ লাৰ্ণিঙৰ বাকৰিত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী,অভিভাৱক আৰু শুভাকাংক্ষীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। ছাইন উৎসৱ ২০২৫ সমাৰোহৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী, প্ৰযোজিকা, অভিনেত্ৰী ৰূপা বৰকটকী। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষাবিদ লেখক কিশোৰ কুমাৰ কলিতা, হেমপ্ৰভা দেৱী প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি। বছৰেকীয়া সমাৰোহ ছাইন উৎসৱ ২০২৫ অনুষ্ঠানৰ সন্ধিয়াৰ কাৰ্যসূচীত ৰাগুৰ্ছ চিষ্টাৰ ৰূপাংকিতা আৰু অলংকৃতাই কেইবাটাও গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানৰ শেষতছাইন স্কুল অৱ লাৰ্ণিঙৰ সঞ্চালক ছাইনিং মাৰাক আৰু অধ্যক্ষা ৰুণুমী মমিনে ছাইন উৎসৱ ২০২৫ ত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী,অভিভাৱক-অভিভাৱিকা আৰু শুভাকাংক্ষী সকলক ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠানত কৰা সহায়-সহযোগিতাৰ বাবে উপস্থিত সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে।

## সপ্তম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীগৰাকীৰ মৃত্যুত নগাঁৱত শোক

# গজপুৰীয়াত তেৰ বছৰীয়া ছাত্ৰীৰ ৰহস্যজনক আত্মহত্যা

**ই-সংবাদ, বেবেজীয়া, ৯ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন চকলাঘাটৰ গজপুৰীয়াত সপ্তম শ্ৰেণীত অধ্যয়ণৰত এগৰাকী ছাত্ৰীৰ ৰহস্যজনক আত্মহত্যাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আচলতে, চকলাঘাটৰ গজপুৰীয়াৰ নিবাসী দিলীপ বৰা নামৰ গাঁও প্ৰধানজনৰ তেৰ বছৰীয়া কন্যাই ঘৰত কোনো নথকা অৱস্থাত ঘৰৰ বাৰাণ্ডাত ছীপ লৈ আত্মহত্যা কৰে। জানিব পৰা মতে, শুকুৰবাৰে সন্ধিয়া কিশোৰী ছাত্ৰীগৰাকীৰ মাতৃ আৰু ভাতৃয়ে ঘৰৰ কিছু নিলগত বিয়া খাবলৈ যোৱাৰ বিপৰীতে পিতৃ ঘৰৰ বাহিৰত থকা অৱস্থাত কিশোৰী ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰে। পিছত পিতৃ ঘৰলৈ আহি ছাত্ৰীগৰাকীক মাত দিয়াত কোনো সহাঁৰি নোপোৱাত বিচাৰ-খুচাৰ কৰাত ছীপ লৈ থকা অৱস্থাত ছাত্ৰীগৰাকীক উদ্ধাৰ কৰে। লগে লগে অঞ্চলজুৰি এক হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে উক্ত স্থানত বহুলোকৰ সমাগম হয়। পিছত ঘটনাৰ খবৰ পাই স্থানীয় জাজৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত চলোৱাৰ বিপৰীতে গুৱাহাটীৰ পৰা ফৰেনছিক বিশেষজ্ঞৰ দল আহি ঘটনাস্থলীৰ পৰা ফৰেনছিক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় যাবতীয় সামগ্ৰী সংগ্ৰহ কৰাৰ অন্তত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়।

# পুৰণিগুদামত ৰাজীৱ শদিয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, পুৰণিগুদাম, ৯ ফেব্ৰুৱাৰীঃ**"ৰাজীৱ শদিয়াৰ গান অসমীয়া মানুহৰ গান। ৰাজীৱ শদিয়াৰ গান অসমীয়া জাতিৰ গান। অসমীয়া জাতি থকালৈকে ৰাজীৱ শদিয়া জীয়াই থাকিব। এতিয়া গাঁৱে-গাঁৱে ৰাজীৱ শদিয়াৰ গানৰ কৰ্মশালা পাতিব লাগিব।" অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে আজি পুৰণিগুদাম গড়মূৰত আয়োজন কৰা ৰাজীৱ শদিয়াৰ শ্ৰদ্ধাঞ্জলী সভাত শিশুবন্ধু দুলাল বৰাই এই দৰে কয়।অসম আজি শোকত ম্ৰিয়মান।সমগ্ৰ অসমে আজি ৰাজীৱ শদিয়াক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়েও আজি সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা



সমিতিৰ উপদেষ্টা পাৰ্থপ্ৰতিম বৈৰাগী,উপ-সভাপতি চন্দন ফুকন,সাংগঠনিক সম্পাদক ওৱাচীফ আলম,আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা,সমাজকৰ্মী অলকেশ চৌধুৰী,টাই অসম যুৱ পৰিষদ নগাঁও জিলা সমিতিৰ সভাপতি কৃতিজিৎ ঢেকিয়াল ফুকন,শিক্ষক পূৰ্ণানন্দ বাৰিকৰ লগতে অঞ্চলৰ বহুতো গণ্য- মান্য ব্যক্তিসকল উপস্থিত থাকে।

# কলগাছিয়াৰ চৰ নদিয়াপাৰা প্ৰাথমিক বিদ্যালয়ত পাঠদানৰ পৰিৱৰ্তে মোবাইলত গেম খেলাত ব্যস্ত শিক্ষক!

**ই-সংবাদ, কলগাছিয়া, ৯ ফেব্ৰুৱাৰীঃ** অসমত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে শিক্ষা বিভাগ অধিক উন্নত আৰু সময়োপযোগী বিজ্ঞানসন্মত শিক্ষাদান দিয়াৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ উপায় অৱলম্বন কৰা পৰিলক্ষিত কৰিছে যদিও বৰপেটা জিলাৰ ভিতৰুৱা কিছুমান ঠাইৰ একাংশ বিদ্যালয়ৰ শিক্ষকে চৰকাৰৰ নীতি নিৰ্দেশনা অমান্য কৰি নিজ খিয়াল খুচি মতে বিদ্যালয়ত পাঠদান কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে বৰপেটা জিলাৰ ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত চৰ নদিয়াপাৰা নিম্ন প্ৰাথমিক বিদ্যালয়ত প্ৰায় ১৮০ জন ছাত্ৰ ছাত্ৰী অধ্যয়ন কৰি আছে আৰু তিনিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে পাঠদান দি আছে। কিন্তু অতি পৰিতাপৰ বিষয় যে, আজি বিদ্যালয়ত প্ৰধান শিক্ষক মতিউৰ ৰহমান অনুপস্থিত আছে যদিও নাজমা খাতুন নামৰ এজন শিক্ষয়িত্ৰীয়ে শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰী সকলক পাঠদান দিয়াৰ বিপৰীতে মোবাইলত গেম খেলাত ব্যস্ত হৈ



থকাৰ অভিযোগ উত্থাপিত হৈছে। ইফালে প্ৰধান শিক্ষক মতিউৰ ৰহমান আজি বিদ্যালয়ত উপস্থিত নথকাৰ সুযোগ লৈ শিক্ষয়িত্ৰীগৰাকীয়ে নিজৰ খেয়াল-খুচি মতে চলাই আহিছে বিদ্যালয়। মাজে সময়ে এইখন বিদ্যালয় দুপৰীয়া ১২ বজাতেই ছুটী দিয়ে বুলি আন এক অভিযোগ উত্থাপিত হৈছে। ইয়াৰোপৰি আজি প্ৰায় ২০ দিন ধৰি বিদ্যালয়খনৰ ৰান্ধনিৰ ঘৰত উলমি আছে তলা। যাৰ ফলত মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত হৈছে ছাত্ৰ-ছাত্ৰীসকল। আজি স্থানীয় ৰাইজে বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিক জবাবদিহি কৰে। প্ৰধান শিক্ষকৰ চৰম গাফিলতিৰ বাবেই ছাত্ৰ ছাত্ৰীয়ে উপযুক্ত পাঠদানৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ টকা আত্মসাৎ কৰি আছে বুলি অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে। উল্লেখযোগ্য যে, অসমত শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ বৰ্তমান শূন্য সহনশীল চৰকাৰখনক প্ৰধান শিক্ষকগৰাকীয়ে কোনো কেৰেপ নকৰাৰ আন এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়েহে প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ বিৰুদ্ধে উপযুক্ত শাস্তিৰ দাবী জনায় সমাজ সচেতন মহলে।

## ‘অসমৰ চাহ উদ্যোগ সম্প্ৰতি সংকটৰ সন্মুখীন হৈছে’

# ডুমডুমাত অসম চাহ কৰ্মচাৰী সংঘৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস





**ই-সংবাদ, ডুমডুমা , ৯ ফেব্ৰুৱাৰীঃ** " অসমৰ চাহ উদ্যোগ সম্প্ৰতি সংকটৰ সন্মুখীন হৈছে বুলি অতিৰঞ্জিতকৈ প্ৰচাৰ কৰা হৈছে। চাহ উদ্যোগৰ সংকট মালিক পক্ষৰ সৃষ্টি। এই সংকটৰ দোহাই দি চাহ কৰ্মচাৰী আৰু শ্ৰমিকসকলক মালিক পক্ষই তেওঁলোকৰ নায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে।" - এই মন্তব্য অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সমিতি তথা ডুমডুমা শাখাৰ সম্পাদক হিতেন্দ্ৰ বৰুৱাৰ। আজি অসম চাহ কৰ্মচাৰী সংঘৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ মুকলি সভা উদ্বোধন কৰি বৰুৱাই এইদৰে কয়। তেওঁ আৰু কয় , "অসম তথা দেশৰ অৰ্থনীতিত চাহ উদ্যোগৰ অৱদান অনস্বীকাৰ্য্য। অসমৰ চাহৰ বিশ্বৰ বজাৰত বিশেষ আদৰ আছে। অসমৰ চাহ উদ্যোগ আৰু ইয়াৰ সৈতে জড়িত শ্ৰমিক-কৰ্মচাৰীসকলৰ সমস্যাৰাজিক অসমৰ সংবাদ মাধ্যম তথা বুদ্ধিজীৱীয়ে জনগণৰ মাজত যিদৰে প্ৰচাৰ কৰিব লাগিছিল, সেইদৰে কৰা হোৱা নাই।" তেওঁ মালিক পক্ষৰ ষড়যন্ত্ৰ ওফৰাই নিজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰিবৰ বাবে চাহ কৰ্মচাৰীসকলক সংঘবদ্ধ হৈ মাত মাতিবলৈ আহ্বান জনায়। তেওঁ সংঘৰ কেন্দ্ৰীয় সা: সম্পাদক ঋষভ কলিতাৰ এটা বাৰ্তাও সভাত পাঠ কৰি দিয়ে। অসম চাহ কৰ্মচাৰী সংঘৰ ডুমডুমা শাখাই বৰডুবি, বাদলাবেটা আৰু ফিল'বাৰী চাহ বাগিচা প্ৰাথমিক গোটৰ সহযোগত আজি বৰডুবি চাহ বাগিচাত সংঘৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কেন্দ্ৰীয়ভাৱে উদযাপন কৰে। উদযাপনৰ মুকলি সভাত সভাপতিত্ব কৰে অসম চাহ কৰ্মচাৰী সংঘৰ ডুমডুমা শাখাৰ সভাপতি উমানন্দ দত্তই। সভাত আদৰণি ভাষণ প্ৰদান কৰে আয়োজক সমিতিৰ সম্পাদক অজিত কৰ্মকাৰে। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক, সমাজকৰ্মী অৰ্জুন বৰুৱাই অসমৰ চাহ কৰ্মচাৰীসকলে অসমৰ জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে উল্লেখ কৰি নতুন প্ৰজন্মৰ কৰ্মচাৰীসকলকো এই ধাৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। এই সভাতে অসম চাহ কৰ্মচাৰী সংঘৰ ডুমডুমা শাখাই অৰ্জুন বৰুৱাক " সমাজ মহীৰূহ " উপাধি প্ৰদান কৰাৰ লগতে বিশেষভাৱে সম্বৰ্ধনা জনায়। সভাত সন্মানিত অতিথি হিচাপে অংশগ্ৰহণ কৰি ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা আৰু বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰে চাহ উদ্যোগৰ সংকট, শ্ৰমিক - কৰ্মচাৰীৰ সমস্যা, নব্য উদাৰীকৰণৰ জৰিয়তে চৰকাৰে মালিক পক্ষক দিয়া অত্যাধিক শিথিলতাই শ্ৰমিক-কৰ্মচাৰীসকলক নায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰা, ইত্যাদি বিষয় সামৰি বক্তব্য ৰাখে। সভাত অসম চাহ কৰ্মচাৰী সংঘৰ ডুমডুমা শাখাই সংঘৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি বীৰেন অধ্যাপকক " সংঘ মহীয়াণ " উপাধি প্ৰদান কৰাৰ লগতে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি সংঘৰ দুগৰাকী প্ৰাক্তন বিষয়ববীয়া অচ্যুত পূজাৰী আৰু জগদীশ ৰঞ্জন দত্তকো সম্বৰ্ধনা জনোৱা হয়। সভাপতিৰ ভাষণত উমানন্দ দত্তই চাহ কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত সংঘই লোৱা ভূমিকাৰ বিষয়ে উল্লেখ কৰে। আয়োজন সমিতিৰ সম্পাদক অজিত কৰ্মকাৰে শলাগ জ্ঞাপন কৰাৰ পাছতেই ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি মৰা হ'য়। পুৱা সমূহীয়া চাফাই অভিযান আৰু গছ পুলি ৰোপণেৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰে উমানন্দ দত্তই। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কেন্দ্ৰীয় উপ-সভাপতি বীৰেন অধ্যাপকে।

# ডিব্ৰুগড়ত দয়-কাও ৰঙৰ উদ্যোগত অন্তৰংগ আলাপ আৰু গ্ৰন্থ উন্মোচনী সভা

**ই-সংবাদ, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ৰ ফুলবাগানস্থিত সামূহিক প্ৰশিক্ষণ কেন্দ্ৰত 'দয়-কাও-ৰঙ'ৰ উদ্যোগত অন্তৰংগ আলাপ আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিভিন্ন দিশৰ ওপৰত আলোচনা কৰাৰ লগতে তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত ৰীতা কোঁৱৰৰ শিশু উপন্যাস "ইমন তৰা আইতা", ৰাজুৰাণী শইকীয়াৰ" সপোনে মেলিলে পাহি" আৰু প্ৰাৰ্থনা গগৈৰ "ঈপ্সিত আকাশ" নামৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। ইমন তৰা আইতা নামৰ গ্ৰন্থখন উন্মোচন কৰেআলোক সন্ধানী অধ্যয়ন চক্ৰ'ৰ প্ৰতিষ্ঠাপক সভাপতি গকুল চন্দ্ৰ খাউণ্ডে। সপোনে মেলিলে পাহি গ্ৰন্থখন উন্মোচন কৰে দুলীয়াজান কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মৃণালী ভুঞা বৰদলৈয়ে। 'ঈপ্সিত আকাশ' নামৰ গ্ৰন্থখন উন্মোচন কৰে জনপ্ৰিয় উপন্যাসী জুৰি বৰা বৰগোহাঁইয়ে। অনুষ্ঠানত সংস্থাৰ কেইবাজনো বিষয় ববীয়াৰ লগতে বিশিষ্ঠ ব্যক্তিসকল উপস্থিত থাকে।

# মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ



**ই-সংবাদ, বেবেজীয়া, ৯ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ মাজ-জাজৰিত অৱস্থিত শতবৰ্ষ গৰকা মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনখনি দেওঁবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই মৰ্মে, বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা শিক্ষানুষ্ঠানখনৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ লগতে অভ্যাগত, শুভাকাংক্ষীসকলৰ উপস্থিতিৰে উখল-মাখল পৰিবেশৰ সৃষ্টি হয়। পুৱা এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত উদ্‌যাপন সমিতিৰ সভাপতি গগন শৰ্মাই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ পতাকা আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজীৱ বৰুৱাই বিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে গোপাল দেৱ মন্দিৰ সমিতিৰ সভাপতি টংকেশ্বৰ গোস্বামী, বৰবায়ন বগীৰাম বৰা আৰু জ্যেষ্ঠ নাগৰিক জয়কান্ত শৰ্মাই স্মৃতি তৰ্পণ আগবঢ়াই। ইয়াৰ পিছতে বৃহত্তৰ মাজ-জাজৰি অঞ্চলৰ মাজেৰে এটি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। নাট্যকাৰ অনিল শৰ্মাই শুভ উদ্বোধন কৰা বৰ্ণিল শোভাযাত্ৰাটিয়ে স্থানীয় অঞ্চল উজ্বলাই তোলে। দুপৰীয়া প্ৰাক্তন শিক্ষাৰ্থীৰ পঞ্জীয়ন, শিক্ষাগুৰুসকলক সম্বৰ্ধনা, প্ৰীতিভোজ আদিৰ অন্তত আৰু বিয়লি শিক্ষাবিদ গগন শৰ্মাৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত হয়। সংগীত শিল্পী কানু কন্দলীৰ পৰিচালনাত এটি সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা সভাখনিত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী আৰু ৰহা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° দ্বিজেন শৰ্মা উপস্থিত থাকি সাৰুৱা বক্তব্য প্ৰদান কৰে। নৰেন শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা সভাখনিত নগাঁও প্ৰেছ ক্লাৱৰ সভাপতি জিতেন বৰকটকী, প্ৰতিষ্ঠিত ব্যৱসায়ী ভাৰত গোস্বামী, অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ প্ৰাক্তন অতিৰিক্ত সঞ্চালক প্ৰবীন চন্দ্ৰ শৰ্মা, ডুগডুগীৰ স্বত্বাধিকাৰী উৎপল বনিয়াকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ দ্বাৰা দিনযোৰা কাৰ্যসূচীৰ সামৰণি পেলোৱা হয়।

# প্ৰগতি মইনা পাৰিজাতৰ প্ৰথম বাৰ্ষিক শুভাৰম্ভণি অনুষ্ঠান

**ই-সংবাদ, বেৰেজীয়া, ৯ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ অতিকৈ পুৰণি প্ৰগতি পুথিভঁৰাল আৰু নাট্য সমিতিৰ শিশু অনুষ্ঠান প্ৰগতি মইনা পাৰিজাতৰ প্ৰথম বাৰ্ষিক শুভাৰম্ভণি অনুষ্ঠানটি দেওঁবাৰে অনুষ্ঠিত কৰা হয়। এই মৰ্মে, এজাক কণ কণ শিশুৰ কল-কাকলিৰে মুখৰিত হৈ পৰিল বৃহত্তৰ ধিং অঞ্চল। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত পুৱা প্ৰগতি মইনা পাৰিজাতৰ সভানেত্ৰী ইৰা বৰাই পতাকা উত্তোলনৰে দিনজোৰা কাৰ্যসূচী মুকলি কৰাৰ পিছতেই বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অমল বৰাই। ইয়াৰ পিছতে প্ৰায় অৰ্ধ শতাধিক শিশুৰ অংশগ্ৰহণৰে উলিওৱা বৰ্ণিল শোভাযাত্ৰা উদ্বোধন কৰে নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰাই। প্ৰগতি পুথিভঁৰাল আৰু নাট্য সমিতিৰ সম্পাদক মৃগাংক বৰাৰ লগতে নগাঁও জিলা মইনা পাৰিজাতৰ সভাপতি মুহিউদ্দিন আহমেদ, সম্পাদক বিশ্বজিৎ কাকতি, সহকাৰী সম্পাদক ছায়া দেৱী, জোনালী দেৱী উপস্থিত থকা তথা প্ৰগতি মইনা পাৰিজাতৰ সম্পাদিকা মল্লিকা শৰ্মাই আঁত ধৰা উক্ত অনুষ্ঠানটোত প্ৰগতি মইনা পাৰিজাতৰ লগতে নামডুমডুমীয়া সত্ৰৰ শংকৰ জ্যোতি মইনা পাৰিজাতৰ পৰা অংশগ্ৰহণ কৰা মুঠ অৰ্ধ শতাধিক




মইনা আৰু চেমনীয়াই নৃত্য, গীত, বক্তৃতা, কবিতা আবৃত্তি, নাট পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। প্ৰগতি পুথিভঁৰাল আৰু নাট্য সমিতিৰ সহযোগিতাত প্ৰগতি মইনা পাৰিজাতৰ এক ব্যতিক্ৰমী চিন্তাৰে নব্য প্ৰজন্মক সৃষ্টিশীল মনৰ অধিকাৰী কৰাৰ প্ৰয়াসেৰে আয়োজিত এনে অনুষ্ঠানে সমাজ জীৱনত বিশেষ বাৰ্তা প্ৰদান কৰিছে বুলি মন্তব্য কৰিছে বৌদ্ধিক মহলে।

# বেৰেজীয়াত একশৰণ ভাগৱতী সমাজৰ বাৰ্ষিক মহাপালনাম, ধৰ্ম সভাৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ৯ ফেব্ৰুৱাৰীঃ** নগাওঁ জিলাৰ বেৰেজীয়াস্থিত একশৰণ ভাগৱতী সমাজৰ কেন্দ্ৰীয় কাৰ্যালয় বেৰেজীয়া পালনাম থানত অহা ১১ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে সমাজৰ নগাঁও জিলা শাখাৰ ৮৯ সংখ্যক মহাপালনাম কীৰ্ত্তন আৰু ধৰ্ম সভাৰ আয়োজন কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত প্ৰাতঃ প্ৰসংগ, ভকত আদৰণি আৰু শৰাই অৰ্চনৰ অন্তত একশৰণ ভাগৱতী সমাজৰ নগাওঁ জিলা শাখাৰ সভাপতি ভুৱনেশ্বৰ দাসে ধৰ্মধ্বজা উত্তোলন কৰিব । দুপৰীয়া মধ্যাহ্ন প্ৰসংগৰ পিছতে সতীৰাধিকা মাতৃ সেৱা সমাজ আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। বিয়লি নগাওঁ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰাণ কুমাৰ বৰুৱাই ভকত সকলৰ সহযোগত মুখপত্ৰ "কল্পতৰু" উন্মোচন কৰিব। সন্ধিয়া সন্ধ্যা প্ৰসংগ আৰু জপ অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা প্ৰাতঃ প্ৰসংগ, ভকত আদৰণি আৰু শৰাই অৰ্চনৰ অন্তত তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা, খোল প্ৰসংগ আৰু মধ্যাহ্ন প্ৰসংগ পৰিবেশন কৰা হ'ব। বিয়লি একশৰণ ভাগৱতী সমাজৰ উপাচাৰ্য বালিৰাম দাসৰ সঞ্চালনাত ধৰ্ম সভা অনুষ্ঠিত হ'ব। একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জীৱন চন্দ্ৰ কাকতিয়ে উদ্বোধন কৰিবলগীয়া সভাখনিত একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধি, উপাধ্যক্ষ যোগেন দাস, সমাজৰ মঙলদৈ জিলা শাখাৰ সভাপতি গুনেন্দ্ৰ নাথ চলিহা, বিধায়কদ্বয় ৰূপক শৰ্মা, শশীকান্ত দাসকে প্ৰমুখ্য কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া থান চৌহদত বন্তি প্ৰজ্বলনৰ অন্তত গুণমালা কীৰ্তন, পালনামৰ শৰাই অৰ্চন, খোল প্ৰসংগৰ পিছতে নিশা মহাপালনাম আৰম্ভ হ'ব। তৃতীয় দিনা পুৱা উৰে নিশা অবিৰতভাৱে চলি থকা মহাপালনামৰ সামৰণি আৰু কৃপা প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ভাগৱত ভ্ৰমণৰ দ্বাৰা বৃহত্তম বেৰেজীয়া অঞ্চলত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰা হ'ব। ইফালে, অন্তিম দিনা পুৱাৰ ভাগত প্ৰাতঃ প্ৰসংগ আৰু শৰাই অৰ্চনৰ পিছতে এটি শৰণ-ভজন শিবিৰ অনুষ্ঠিত হ'ব। বিয়লি ধৰ্মধ্বজা অৱতৰণেৰে উক্ত বাৰ্ষিক মহাপালনাম আৰু ধৰ্ম সভাৰ পৰিসমাপ্তি ঘটোৱা হ'ব বুলি একশৰণ ভাগৱতী সমাজৰ নগাওঁ জিলা শাখাৰ প্ৰচাৰ সম্পাদক ডেভিদ দাসে জানিবলৈ দিছে।

# তিতাবৰৰ তৃতীয় অসম আৰক্ষী বেটেলিয়ন কেম্পত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, ৯ ফেব্ৰুৱাৰীঃ** তিতাবৰৰ তৃতীয় অসম আৰক্ষী বেটেলিয়নৰ কেম্পত আজি এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডত চাৰিটাতকৈয়ো অধিক চিলিণ্ডাৰ বিস্ফোৰণ হোৱা বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডত তৃতীয় অসম আৰক্ষী বেটেলিয়ন কেম্পৰ পকালাইনৰ চৰকাৰী তিনিটাকৈ আৱাসগৃহ জুইত জাহ যায়। কি কাৰণৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হ'ল বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপন কৰে যদিও অঞ্চলবাসী এতিয়াও আতংকিত হৈ আছে। অগ্নিকাণ্ডত কেইবা লক্ষ্য টকাৰ সা-সম্পত্তি জুইত জাহ গৈছে বুলি জানিব পৰা গৈছে।

# শিমলাবাৰী গাঁৱৰ সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰক লৈ চলিছে অঘোষিত যুদ্ধ!

**ই-সংবাদ, কোকিলা, ৯ ফেব্ৰুৱাৰীঃ** বঙাইগাঁও জিলাৰ নিকটবৰ্তী চিৰাংৰ ধুপুৰী শিমলাবাৰী গাৱঁৰ সুলভ মূল্যৰ দোকানৰ ডিলাৰক লৈ চলিছে এক অঘোষিত যুদ্ধ।পূৰ্বৰ ডিলাৰ যোগেন দাসৰ শাৰিৰিক অসুস্থতা হোৱাত আৰু বয়স হোৱাত নিজে স্ব-ইচ্ছাৰে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত লিখিতভাৱে ডিলাৰশ্বিপ বাদ দিয়ে আৰু গাঁৱৰে যিকোনো এজনক মনোনীত কৰাৰ বাবে আহ্বান জনায়। সেইমৰ্মে গাৱঁৰ গাঁওবুঢ়া আৰু গাওঁ সুৰক্ষা সমিতিৰ সম্পাদক দুয়ো লগ লাগি সমবায় সমিতিৰ কাৰ্ডধাৰী ৰাইজৰ লগত আলোচনা কৰি উক্ত গাঁৱৰে আবুছামা নামৰ শিক্ষিত লৰা এজনক ৰাইজে মনোনীত কৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। কিন্তু বিভাগীয় কৰ্তৃপক্ষই ৰাইজৰ দাবী আওঁকান কৰি গাৱঁখনৰে দুই কিলোমিটাৰ দূৰত্বত থকা অন্য এজন ডিলাৰৰ লগত সংযুক্ত কৰি দিয়াৰ অভিসন্ধি ৰচনা কৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰে। উল্লেখযোগ্য যে ৰাইজে নিৰ্বাচন কৰা ডিলাৰ আবুছামা আৰু বিভাগীয় কৰ্তৃপক্ষই নিৰ্বাচন কৰা ডিলাৰৰ মাজত ভোটযোগে নিৰ্বাচন অনুষ্ঠিত



কৰে। নিৰ্বাচনত আবুছামাই জয়লাভ কৰে যদিও আজি পৰ্যন্ত আবুছামাক অনুমতি প্ৰদান কৰা নাই। ইয়াৰ মাজত কি ৰহস্য লুকাই আছে এয়া লাখ টকীয়া প্ৰশ্ন হৈ পৰিছে। উপায়ন্তৰ হৈ গাঁৱৰ ৰাইজে উৰ্দ্ধতম কৰ্তৃপক্ষৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনৰ ভিত্তিত তদন্তক্ৰমে আবুছামাক অনুজ্ঞাপত্ৰ দিয়াৰ লিখিত অৰ্ডাৰ দিয়ে যদিও দুবছৰে চিৰাং জিলাৰ সমবায় সমিতি বিভাগৰ এডিএছ হলধৰ মিলিয়ে বিভিন্ন অজুহাত দেখুৱাই দায়িত্ব পালনৰ পৰা বিৰত আছে আৰু কিছু দিন পূৰ্বে শিমলাবাৰী বজাৰত নিজ অভিসন্ধি পূৰণৰ উদ্দেশ্যে সহৰবান শিকদাৰৰ সপক্ষে বিটিএডিৰ বাহিৰৰ মানুহৰ দ্বাৰা সভা অনুষ্ঠিত কৰে। কিন্তু ৰহস্যজনক কথা হ'ল সেই সভাৰ ৫০০ মিটাৰ মান দূৰত্বত ৰাইজে অনুষ্ঠিত সভাত আহিবলৈ বাৰ বাৰ অনুৰোধ কৰা স্বত্তেও বিষয়াজন নাহিল। এই ঘটনাক কেন্দ্ৰ কৰি ৰাইজৰ মাজত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজৰ অভিযোগ হয়তো হলধৰ মিলিয়ে সহৰবান শিকদাৰৰ পৰা এক মোটা অংকৰ ধন লৈ অভিনয় কৰি আছে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰে পাৰিব নে দুৰ্নীতিগ্ৰস্থ বিষয়া সকলোক নাকী লগাব, নে চৰকাৰে দিয়া প্ৰতিশ্ৰুতি ফুটুকাৰ ফেনত পৰিণত হ'ব সেয়া সময়তহে ক'ব পৰা যাব।

# বৰদলৈ ফুটবল ট্ৰফীৰ বাবে চূড়ান্ত বিজয় ৰাণী কোচিং ক্লাব দল

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৯ ফেব্ৰুৱাৰীঃ** গুৱাহাটী টাউন ক্লাবৰ উদ্যোগত আয়োজিত ৭০সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ফুটবল ট্ৰফীৰ বাবে দেওবাৰে কামৰূপ জিলাৰ চূড়ান্ত দল নিৰ্বাচিত কৰা হয়। যোৱা ২৯ জানুৱাৰীৰ পৰা চাংসাৰী খেলপথাৰত অনুষ্ঠিত জিলাভিত্তিত প্ৰতিযোগিতাত দেওবাৰে ৰাণী কোচিং ফুটবল ক্লাবে পিএছএ আমিনগাঁও ফুটবল ক্লাবক ৩-০ গ'লত হৰুৱাই বিজয়ী সাব্যস্ত হৈ জিলাভিত্তিত নিৰ্বাচিত হয়। কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অনুমোদিত আঠটা দলৰ মাজত অনুষ্ঠিত হোৱা জিলাভিত্তিক খেলত দেওবাৰে ৰাণী কোচিং ফুটবল ক্লাবে কামৰূপ জিলাৰ হৈ আগন্তুক দিনত কেপিটেল জ'ন খেলিব। উল্লেখ্য যে, কেপিটেল জ'নত আছে ক্ৰমে কামৰূপ মহানগৰ, কামৰূপ, নলবাৰী, গোৱালপাৰা, তামুলপুৰ আৰু বজালী জিলা। দেওবাৰে কামৰূপ জিলাৰ চূড়ান্ত বাছনি খেলত জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ সচিব দেৱজিত শইকীয়া, ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি কাৰ্তিক মেধি, জিলা জ্যেষ্ঠ যুটীয়া সম্পাদক উত্তম ব্ৰহ্ম, কোষাধ্যক্ষ কৰুণা শইকীয়াৰ লগতে বহু ক্ৰীড়া সংগঠক উপস্থিত থাকে।

# কটকত গৰজি উঠিল হিটমেন ৰোহিতৰ বেট

**কটক, ৯ ফেব্ৰুৱাৰীঃ** এক দীঘলীয়া সময়ৰ অন্তত আকৌ এবাৰ গৰজি উঠিল ৰোহিত শৰ্মাৰ বেট। কটকত অনুষ্ঠিত ইংলেণ্ডৰ দ্বিতীয়খন এদিনীয়াত ভাৰতীয় অধিনায়কগৰাকীয়ে দুৰ্দান্ত প্ৰদৰ্শনেৰে অৰ্জন কৰে শতৰাণ। মাত্ৰ ৭৬টা বলত শতক সম্পূৰ্ণ কৰি সমালোচকক কঠোৰ উত্তৰ দিলে 'হিটমেন'গৰাকীয়ে। যোৱা বিশ্বকাপত আফগানিস্তানৰ বিৰুদ্ধে তেওঁ শেষবাৰৰ বাবে এদিনীয়া শতক অৰ্জন কৰিছিল আৰু ইয়াৰ পিছত এক দীঘলীয়া অপেক্ষাৰ অন্তত পুনৰ ৰোহিতৰ বেটে শতক পূৰণ কৰে। অষ্ট্ৰেলিয়াত ব্যৰ্থ হোৱাৰ পিছত আৰু নাগপুৰত প্ৰথমখন মেচত বেয়া শ্বট খেলি বাহিৰলৈ পেভিলিয়নমুখী হোৱাৰ পিছত ৰোহিতক লৈ বহু প্ৰশ্ন উত্থাপন হৈছিল। অৱশ্যে কটক খেলপথাৰত তেওঁৰ নিজৰ পুৰণি ছন্দ ওভতাই আনিবলৈ সক্ষম হয়।




খেলৰ মাজতে হাঁহি-ধেমালি! কটকত ইংলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় এদিনীয়াৰ সময়ত বিৰাট কোহলি

## খেল মহাৰণৰ নগাঁও জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ সফল সমাপ্তি

# চাইক্লিঙৰ পুৰুষৰ শাখাত কুমাৰ কমল, মহিলাৰ নিকিতা তাঁতীৰ সাফল্য

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৯ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ ব্যৱস্থাপনাত তথা জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত যোৱা ৬ ফেব্ৰুৱাৰীৰ পৰা চলি থকা "খেল মহাৰণ-২.০"ৰ নগাঁও জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ খেলসমূহৰ আজি সফলতাৰে সমাপ্তি ঘটিছে। জিলাখনৰ ধিং, ৰহা, কলিয়াবৰ, চামগুৰি, বঢ়মপুৰ, ৰূপহীহাট আৰু নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ পৰা প্ৰায় পোন্ধৰশ খেলুৱৈ (ল'ৰা-ছোৱালী)য়ে ভাগ লোৱা এই প্ৰতিযোগিতাৰ আজি অন্তিম দিনা অনুষ্ঠিত চাইক্লিং ইভেন্টৰ ১৭ বছৰ বয়সৰ উৰ্ধৰ ল'ৰাৰ শাখাত বঢ়মপুৰৰ কুমাৰ কুমল কেওঁট, ধিঙৰ ফৰিদুল ইছলাম, ৰহাৰ ভাস্কৰ মেধি আৰু জোণ্টী নাথে ক্ৰমে প্ৰথম তিনিটাস্থান লাভ কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত বঢ়মপুৰৰ নিকিতা তাঁতী, পূজা কাকতি আৰু মুনমণি লস্কৰে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰে।
অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ ল'ৰাৰ শাখাত বঢ়মপুৰৰ মৃন্ময় বৰা, নগাঁও-বটদ্ৰৱাৰ জীৱিটেশ গুহ আৰু কলিয়াবৰৰ দেৱজিৎ গোঁহাইৰ বিপৰীতে ছোৱালীৰ শাখাত কলিয়াবৰৰ বৰ্ষা দেৱী, ভাৰতী দাস আৰু বঢ়মপুৰৰ মনীষা গুৱালাই ক্ৰমে তিনিটাস্থান দখল কৰে। অনূৰ্ধ্ব-১৪ বছৰ বয়সৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱাৰ বিজয় ৰাজ দাস, কলিয়াবৰৰ লিপ্টন দাস আৰু নগাঁও-বটদ্ৰৱাৰ নয়নমণি শইকীয়াৰ বিপৰীতে ছোৱালীৰ শাখাত কলিয়াবৰৰ সমীক্ষা এছ গগৈ, বঢ়মপুৰৰ পংখী কলিতা আৰু ধিঙৰ ইফৰাণা মুস্কান আজিজে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰিবলৈ সক্ষম হয়।
জিলাখনৰ বিভিন্ন সমষ্টি পৰা চাৰিকুৰিৰো অধিক চাইক্লিষ্টে ভাগ লোৱা প্ৰতিযোগিতাৰ অন্তত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক তথা ইভেন্ট তত্ত্বাৱধায়ক প্ৰভাত চন্দ্ৰ বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানত নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস, জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱা, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, অ'হিদুজ জামান, সেনা বিষয়া তথা চাইক্লিষ্ট সৌৰভ জাগ্ৰে আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। ইপিনে, জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই লগতে জনোৱামতে, নগাঁও জিলা খেল মহাৰণ-২.০ ৰ শণিবাৰে বিয়লি আনুষ্ঠানিক সামৰণিৰ দিনাখন নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, সহকাৰী আয়ুক্ত অনুৰণ মেধি, ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, অনিল দাস, অসীম কুমাৰ ভাৱাল, মোহন চন্দ্ৰ বৰা, সমীৰ হাজৰিকা, অৰ্পণ দাস, ভৱজ্যোতি দাস, প্ৰশান্ত কুমাৰ দাস, আজহাৰউদ্দিন আহমেদ আৰু প্ৰশান্ত কুমাৰ গগৈ আদিয়ে এথলেটিকছ, কাবাডী, ভলীবল, ফুটবল আৰু দবা ইভেন্টৰ বঁটাসমূহ বিতৰণ কৰে। ইয়াৰে, এথলেটিকছ ইভেন্টৰ ১০০ মিটাৰ দৌৰৰ অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱাৰ যীচুৰাম নাথ, ৰহাৰ প্ৰিয়ানুজ কাশ্যপ আৰু টনৱীৰ অঞ্জুমৰ বিপৰীতে ছোৱালীৰ শাখাত নগাঁও-বটদ্ৰৱাৰ আলিচা ৰুহাণী, ৰহাৰ অংকিতা দেৱী আৰু বঢ়মপুৰৰ মানসী সৰকাৰে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰে। ইফালে, অনূৰ্ধ্ব-১৭ ৰ ২০০ মিটাৰ দৌৰৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱাৰ ইমৰাণ হুচেইন, যীচুৰাম নাথ আৰু কলিয়াবৰ তিলেশ্বৰ মাঝিৰ বিপৰীতে ছোৱালীৰ শাখাত বঢ়মপুৰৰ মানসী সৰকাৰ, ধিঙৰ ইচমতাৰা, ৰূপহীহাটৰ হোচনাৰা বেগমে ক্ৰমে প্ৰথম তিনিটাস্থান দখল কৰে। তদুপৰি, ১৭ বছৰ বয়সৰ উৰ্ধৰ শাখাৰ ১০০ মিটাৰ দৌৰত নগাঁও-বটদ্ৰৱাৰ ৰাজু দৈমাৰী, ত্ৰৈলোক্য মছৰং আৰু বিকাশ নাথৰ বিপৰীতে ছোৱালীৰ শাখাত ৰহাৰ সাগৰিকা দাস, নগাঁও-বটদ্ৰৱাৰ অনামিকা মজুমদাৰ আৰু ধিঙৰ ৰাই সাধনা দেৱীয়ে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰিবলৈ সক্ষম হয় বুলি অন্যতম তত্ত্বাৱধায়ক ৰূপক শইকীয়া, ৰিংকুমণি বৰা আৰু প্ৰভাত চন্দ্ৰ বৰাই জানিবলৈ দিয়ে। উল্লেখ্য যে, নগাঁও জিলা পৰ্যায়ৰ খেল মহাৰণ-২.০ ৰ যোৱা ৬ ফেব্ৰুৱাৰীত নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। সেই অনুষ্ঠানত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহকে ধৰি জিলা প্ৰশাসন আৰু ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল তথা কেইবাগৰাকীও সমাজকৰ্মী, ক্ৰীড়া সংগঠক আৰু বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত আছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি